কেদাৰ ৰাগত আৰোহণত 'সা'ৰ পৰা 'মা' পোনে পোনে গোৱা হয় কিন্তু হাম্বীৰ ৰাগত - সা ৰে সা , গা মা ধা , এইদৰে আৰোহণ কৰা হয়। উভয় ৰাগৰে ঠাট কল্যাণ কিন্তু বাদী আৰু সম্বাদী স্বৰৰ পাৰ্থক্য আছে। যেনে - কেদাৰ ৰাগৰ বাদী স্বৰ শুদ্ধ মধ্যম সম্বাদী স্বৰ ষড়জ। হাম্বীৰ স্বৰৰ বাদী স্বৰ ধৈৱত। সম্বাদী স্বৰ গান্ধাৰ ।

স্বৰৰ প্ৰয়োগ শুদ্ধ নহলে ৰাগটো ভুল হৈ যাব আৰু বেসুৰীয়া হ'ব। অশুদ্ধ স্বৰে মনোযোগ ভংগ কৰি দিয়ে। শাস্ত্ৰীয় সংগীত শিকিবলৈ হ'লে তাল আৰু লয় কি তাক ভালদৰে জানিব লাগিব। তালৰ সমগতিকে লয় বোলে। লয় তিনি প্ৰকাৰৰ -(১) বিলম্বিত লয় (২) মধ্যলয় () দ্ৰুত লয় । যাক আধাৰ কৰি গায়ন , বাদন আৰু নৃত্য কৰা হয়। তাল বহু প্ৰকাৰৰ আছে যেনে - একতাল, ত্ৰিতাল,ধামাৰ তাল, চৌতাল, ৰূপকতাল, ঝাপতাল আদি।

শাস্ত্ৰীয় সংগীতৰ যথেষ্ট গৱেষণা হৈছে। বিষ্ণু নাৰায়ণ ভাটখাণ্ডে ,বিষ্ণু দিগম্বৰ পুলস্কৰ, শ্ৰীকৃষ্ণ ৰতন ঝংকাৰ আদিয়ে অশেষ কষ্ট কৰি আমাৰ শাস্ত্ৰীয় সংগীতৰ বৰ্তমান লিপিবদ্ধ পদ্ধতিৰ প্ৰতিষ্ঠা কৰিছে। অৱশ্যে সংগীত সদায় গুৰুমুখী বিদ্যা। উপযুক্ত গুৰু অবিহনে কোনো শিষ্যই সংগীত শিকিব নোৱাৰে। তদুপৰি শিকোঁতাৰ একানপতীয়া সাধনা আৰু ত্যাগৰ প্ৰয়োজন । শাস্ত্ৰীয় সংগীতত হিন্দুস্থানী সংগীত মতে ৬ ৰাগ আৰু ৩৬ ৰাগিনী মনা হয়। অৱশ্যে ৰাগৰ বৰ্গীকৰণত বিভিন্ন জনে আগবঢ়োৱা মতৰ মাজত পাৰ্থক্য আছে। ভৰত আৰু হনুমন্তৰ মতে ৬ ৰাগ ৩০ ৰাগিনী। এই ৰাগবোৰ আকৌ ঠাটৰ ওপৰত নিৰ্ভৰ কৰে। সাতটা স্বৰৰ সমষ্টিয়েই ঠাট সৃষ্টি কৰে । ঠাটত স্বৰৰ সংখ্যা কম বেছি হ'ব নোৱাৰে । কিন্তু তাৰ কোমল স্বৰ বা তীব্ৰ স্বৰ অন্তৰ্ভুক্ত হ'ব পাৰে। হিন্দুস্থানী সংগীত পদ্ধতিত ১০ টা ঠাট মানি লোৱা হৈছে। এইবোৰ যথাক্ৰমে - বিলা[illegible] কল্যাণ, খমাজ, ভৈৰৱ, কাফি, আসাৱৰী, পূৰবী, মাৰৱা, তোড়ি আৰু ভৈ[illegible] ঠাট।

অতি পুৰণি কালৰ পৰা অসমতো সংগীতৰ চৰ্চা চলি আহিছে। অস[illegible] সুকনান্নী আৰু ব্যাস এই দুই প্ৰকাৰৰ ওজাপালি আছে। এই দুই ধ[illegible] ওজাপালিয়ে বিভিন্ন ধৰণৰ ৰাগ গোৱা দেখা যায়। অৱশ্যে আজিকালি এই ৰা[illegible] গুৰুত্ব কিছু কম দেখা যায়। ইয়াৰে কিছুমান ৰাগৰ নাম হিন্দুস্থানী ৰাগৰ স[illegible] একে । কিছুমান ৰাগ বেলেগ । যেনে - সাৰংগ ,সুৰাগ, চালন, ক[illegible] পাহাৰী ,সুহাৰী, ধনশ্ৰী, দিহাগৰ, অহীৰ, বৰাৰী, কেদাৰ ইত্যাদি। অসমত ১[illegible] শতিকাতে শংকৰদেৱে বৰগীত, সত্ৰীয়া নৃত্য আদি প্ৰচাৰ কৰি থৈ যায়। অস[illegible] বিভিন্ন সত্ৰত ইয়াৰ অবিৰত সাধনা চলি আছে। মহাপুৰুষ জনাই প্ৰতিষ্ঠা [illegible] থৈ যোৱা সত্ৰীয়া নৃত্য অতি উচ্চ মান সম্পন্ন। বৰ্তমানে কণ্ঠ সংগীতত ভীম[illegible] যোশী, চেতাৰত ৰবিশংকৰ,সৰোদত আমজাদ আলিখাঁ , বাঁহীত হৰিপ্ৰ[illegible] চৌৰাচীয়া, চেহ্নাইত বিছমিল্লা খাঁ আদিয়ে দেশে বিদেশে শাস্ত্ৰীয় সংগী[illegible] যথেষ্ট ওখ স্থানত প্ৰতিষ্ঠা কৰিছে।

সেইদৰে দাক্ষিণাত্যত কঠকাৰলী, ভাৰত নাট্যম আৰু ওডিচীয়ে শা[illegible] সংগীতত সুকীয়া স্থান পাইছে। দক্ষিণৰ এই সংগীতৰ ভাগটোক কৰ্ণাটকী সং[illegible] ৰূপে প্ৰচলিত। সময়ৰ অগ্ৰগতিৰ লগে লগে শাস্ত্ৰীয় সংগীতে যথেষ্ট অগ্ৰগতি [illegible] কৰিছে। সংগীতত যিমানেই পৰিৱৰ্তন নহওক কিয় শাস্ত্ৰীয় সংগীত অবিহনে সংগী[illegible] মহত্ত্ব ফুটি উঠিব নোৱাৰে । শাস্ত্ৰীয় জ্ঞানৰ সবল ভেটিতহে সংগীতৰ ব্যৱহা[illegible] জ্ঞানে ঠন ধৰি উঠিব পাৰে, কাৰণ শাস্ত্ৰীয় জ্ঞানৰ দিক দৰ্শনেহে ব্যৱহাৰিক জ্ঞা[illegible] গতিপথ দেখুৱাই দি তাক গতিশীল আৰু প্ৰাণৱন্ত কৰি তোলে । □□□

## উত্তম গায়কৰ গুণ সমূহ পণ্ডিত শাৰ্ঙ্গদেৱে তেওঁৰ সংগীত ৰত্নাকৰত এইদৰে উল্লেখ কৰিছে -

" হৃদ্যশব্দঃ সুশাৰীৰোৰো গ্ৰহমোক্ষবিচক্ষণঃ ।
ৰাগৰাগাঙ্গ ভাষাঙ্গ ক্ৰিয়াঙ্গোপাঙ্গ কোবিদঃ ।।
প্ৰবন্ধ গাননিষ্ণাতো বিবিধালপ্তি তত্ত্ববিৎ ।
সৰ্ব্বস্থানোচ্চগমকেষ্বনায়াসলসদগতিঃ ।।
আয়ত্ত্ব কণ্ঠ স্তালজ্ঞঃ সাৱধানো জিতশ্ৰমঃ ।
শুদ্ধচ্ছায়াল গাভিজ্ঞঃ সৰ্ব্বকাকুবিশেষবিৎ ।।
অপাৰস্থায়সঞ্চাৰঃ সৰ্ব্বদোষ বিবৰ্জিতঃ ।
ক্ৰিয়াপৰোহ জস্ৰলয়ঃ সুঘটো ধাৰণান্বিত ।।
স্ফুৰ্জন্নিৰ্জবনো হাৰিৰহৃঃ কৃদ্‌ভজনোদ্ধুৰঃ ।
সুসম্প্ৰদায়ো গীতজ্ঞৈৰ্গীয়তে গায়নাগ্ৰণীঃ ।।"

□□□

প্ৰবন্ধ



# স্ত্ৰী শিক্ষাৰ আৱশ্যকতা

মিচ্ গীতাঞ্জলী কলিতা
স্নাতক ৩য় বৰ্ষ (কলা শাখা )

দেশৰ উন্নতি আৰু প্ৰগতিৰ ক্ষেত্ৰত নাৰীৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। দেশৰ উন্নতি আৰু প্ৰগতি ঘাইকৈ নিৰ্ভৰ কৰে দেশৰ নাগৰিক সকলৰ শিক্ষাৰ ওপৰত। গতিকে বাস্তৱ উন্নতিৰ বাবে স্ত্ৰী-পুৰুষ উভয়ে সুশিক্ষিত হ'ব লাগিব। এখন সমাজ স্ত্ৰী-পুৰুষ উভয়েৰে সহযোগিতাত গঢ়ি উঠে। গতিকে দেশৰ প্ৰগতিৰ হকে কেৱল পুৰুষ সকল শিক্ষিত হলেই নহ'ব, নাৰীসকলো সমানেই শিক্ষিত হব লাগিব। দেশৰ একোজন সুনাগৰিক গঢ়ি তোলাৰ বাবে স্ত্ৰী শিক্ষাৰ বিশেষ প্ৰয়োজন। স্ত্ৰীশিক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জৱাহৰলাল নেহৰুৱে কৈছিল, 'Education of boys is education of one person, but education of a girl is the education of entire family'' । সেইদৰে ভাৰতীয় শিক্ষা আয়োগে স্ত্ৰীশিক্ষাৰ প্ৰয়োজনীতাৰ বিষয়ে এনেদৰে কৈছিল, ' For full development of our human resources, the improvement of homes and for moulding the character of children during the most impressionable years of infancy, the education of women is of even greater importance than that of man.' অকল স্ত্ৰী শিক্ষাৰ জৰিয়তেহে আমি সুখী পাৰিবাৰিক জীৱনৰ লগতে সামাজিক জীৱন আশা কৰিব পাৰো। এটি শিশুৱে তাৰ প্ৰধান আৰু প্ৰাথমিক শিক্ষা লাভ কৰে মাকৰ পৰা। যিকোনো এটি শিশুৱে প্ৰথম দুবছৰ কাল মাকৰ সান্নিধ্যতেই কটায়। গতিকে সি তাৰ জীৱনৰ প্ৰথম শিক্ষা লাভ কৰে মাতৃৰ জৰিয়তে। কিন্তু যদিহে মাতৃসকল সুশিক্ষাৰে শিক্ষিত নহয় তেনেহলে তেওঁলোকে নিজ সন্তানক কেতিয়াও প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰিব নোৱাৰিব। আনহাতে এই শিশুসকলেই হৈছে এখন দেশৰ ভৱিষ্যৎ স্বৰূপ। তেওঁলোকক একোজন সুনাগৰিক কৰি গঢ়ি তুলিবলৈ হলে প্ৰথমৰে পৰাই সুশিক্ষাপ্ৰদান কৰাটো বাঞ্ছনীয়। গতিকে আমি কব পাৰো যে, এখন দেশৰ নাগৰিক সকলক সুশিক্ষিত কৰাৰ আগতে সেই দেশৰ মাতৃসকলক শিক্ষিত কৰি তুলিব লাগিব।

প্ৰাচীন ভাৰতবৰ্ষত স্ত্ৰীসকলৰ সমাজত এক বিশেষ স্থান আছিল। বৈদিক যুগৰ শিক্ষা ব্যৱস্থালৈ মন কৰিলে কেইবাগৰাকীও নাৰীয়ে অৰ্জন কৰা পাণ্ডিত্যৰ প্ৰমাণ পোৱা যায়। সেই সকলৰ ভিতৰত লোপামুদ্ৰা, আপালা, লীলাৱতী, ঘোচা আদি বিদুষী মহিলাসকলৰ নাম এতিয়াও মানুহে স্মৰণ কৰে। ঋক্ বেদত কিছুমান স্তুতিগান আছিল। উক্ত স্তুতিগানত উল্লেখ আছিল যে, এজনী শিক্ষিতা অবিবাহিতা ছোৱালীক এজন শিক্ষিত ডেকাৰ লগত বিয়া দিয়া উচিত আৰু অকল ব্ৰহ্মচৰ্য্যৰ পাছতহে বিয়া দিয়া উচিত।

বৌদ্ধ যুগৰ শিক্ষা ব্যৱস্থাতো স্ত্ৰীশিক্ষাৰ বিশেষ সমাদৰ দেখা যায়। সেই সময়ত কেইবাগৰাকীও মহিলাই ধৰ্ম আৰু দৰ্শনৰ ক্ষেত্ৰত উচ্চ স্থান পাইছিল। বুদ্ধ ধৰ্ম প্ৰচাৰৰ বাবে মহিলা সকলে বিদেশলৈ যোৱাৰ উদাহৰণ আছে। কিন্তু পিছত ৰাজনৈতিক আৰু সামাজিক পৰিৱৰ্ত্তনৰ পৰিপ্ৰেক্ষিতত নাৰীসকলক অধিক নিৰাপত্তামূলক পৰিৱেশত ৰাখিব লগা হয় আৰু ফলত স্ত্ৰীশিক্ষাৰ পৰিসৰ সংকুচিত হৈ পৰে। ইয়াৰ পিছত ইংৰাজসকলে শিক্ষাৰ ভাৰ গ্ৰহণ কৰে যদিও তেওঁলোকে স্ত্ৰীশিক্ষাৰ প্ৰতি কোনোধৰণৰ গুৰুত্ব প্ৰদান কৰা নাছিল। তেওঁলোকে স্ত্ৰীশিক্ষাটো এটা অৱহেলাৰ বিষয় বুলি ধৰি লৈছিল। ছোৱালীৰ বাবে পৃথক স্কুল নাছিল আৰু ল'ৰাৰ স্কুলতো ছোৱালীৰ উপস্থিতিক অৱহেলা কৰা হৈছিল। এই ক্ষেত্ৰত অৱশ্যে মিছনাৰীসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। মিছনাৰী মহিলাসকলে ভাৰতীয় সকলৰ ঘৰে ঘৰে গৈ ভাৰতীয় মহিলাসকলক শিক্ষাৰ প্ৰতি আকৃষ্ট কৰিবলৈ যত্ন কৰিছিল আৰু মহিলা সকলৰ বাবে জানানা স্কুল (Zanana School) স্থাপন কৰিছিল।

স্বাধীনতাৰ পিছত ভাৰতবৰ্ষত স্ত্ৰী শিক্ষাৰ যথেষ্ট প্ৰসাৰ হয়। কিন্তু এতিয়াও ল'ৰা আৰু ছোৱালীৰ মাজত যথেষ্ট বৈষম্য থকা দেখা যায়। স্বাধীন ভাৰতৰ সংবিধানত স্ত্ৰী আৰু পুৰুষৰ মাজত কোনো ধৰণৰ ব্যৱধান ৰখা হোৱা নাই, ইয়াত স্ত্ৰী-পুৰুষ উভয়কে সমঅধিকাৰ প্ৰদান কৰা হৈছে। কিন্তু মানুহৰ মাজত থকা ৰক্ষণশীল মনোভাৱৰ বাবেই এই অধিকাৰ সমূহ ভোগ কৰিব পৰা নাই। এতিয়াও দেশত অৰ্থনৈতিক, সমাজিক আৰু শৈক্ষিক দিশত তাৰতম্য দেখা যায়। বিভিন্ন ক্ষেত্ৰৰ দৰে শিক্ষাৰ ক্ষেত্ৰতো লিংগৰ পাৰ্থক্য স্পষ্ট। পুৰুষৰ তুলনাত স্ত্ৰী সাক্ষৰতাৰ হাৰ আধা।

ভাৰতবৰ্ষত স্ত্ৰীশিক্ষাই বিভিন্ন কাৰণত প্ৰসাৰ লাভ কৰিব পৰা নাই। এই ক্ষেত্ৰত দৰিদ্ৰতা, অন্ধবিশ্বাস, অভিভাৱকৰ নিৰক্ষৰতা, ছোৱালী স্কুলৰ অভাৱ, উপযুক্ত শিক্ষাৰ অভাৱ, যাতায়তৰ অসুবিধা, অনাকৰ্ষণীয় পাঠ্যক্ৰম, বাল্যবিবাহ, জনমতৰ অভাৱ, শিক্ষা প্ৰসাশনৰ দুৰ্বলতা, ল'ৰা আৰু ছোৱালীৰ মাজত বৈষম্য আদিয়ে প্ৰভাৱ পেলোৱা দেখা যায়।

ওপৰোক্ত সমস্যাসমূহ সমাধান কৰিব পাৰিলে দেশত স্ত্ৰী সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰিব পৰা যাব বুলি আশা কৰিব পাৰি। সমস্যা সমূহ সমাধানৰ বাবে আমি কেতবোৰ পন্থা অৱলম্বন কৰিব পাৰো। যেনে- স্ত্ৰী সকলক বিনামূলীয়া শিক্ষা প্ৰদান, সমাজৰ পৰা ৰক্ষণশীল মনোভাৱ আৰু অন্ধবিশ্বাস দূৰীকৰণৰ ব্যৱস্থা গ্ৰহণ, পিছপৰা অঞ্চলসমূহত যাতায়তৰ সু-ব্যৱস্থা গ্ৰহণ, আছুতীয়া ছোৱালী স্কুল স্থাপন, প্ৰশিক্ষণ প্ৰাপ্ত সু-শিক্ষক নিযুক্তি কৰণ, শিক্ষক আৰু অভিভাৱক সকলৰ মাজত সু-সমন্ধ স্থাপন, পাঠ্যক্ৰমত ব্যৱহাৰিক বিষয় অন্তৰ্ভূক্ত কৰণ, আকৰ্ষণীয় শিক্ষা সঁজুলিৰ ব্যৱহাৰ, মহিলা সকলৰ মাজত বয়স্ক শিক্ষাৰ প্ৰৱৰ্ত্তন, স্ত্ৰীশিক্ষা চলাবৰ বাবে অধিক ধনৰ ব্যৱস্থা গ্ৰহণ আদি।

ৰক্ষণশীল সমাজত নাৰী সদায় পুৰুষৰ তলত। তেওঁলোকে পুৰুষৰ সমানে সমানে একো কামেই কৰিব নোৱাৰে। নাৰীসকল কেৱল মাথোন ঘৰুৱা কামতেই ব্যস্ত হৈ থাকিব লাগে। ঘৰৰ বাহিৰত তেওঁলোকৰ কোনো কাম নাথাকে। ইয়াত বিশ্বাস কৰা হয় যে, নাৰীয়ে যিহেতু পুৰুষক উপাৰ্জনৰ পথত কোনো ধৰণৰ সহায় নকৰে, গতিকে তেওঁলোকক শিক্ষাপ্ৰদানৰ কোনো প্ৰয়োজন নাই। বৰ্ত্তমান সময়ত এই ভাৱধাৰৰ পৰিবৰ্ত্তন ঘটিছে যদিও সম্পূৰ্ণ ভাবে বিলুপ্তি হোৱা বুলি আমি কব নোৱাৰো। আজিৰ সমাজত নাৰীয়ে পুৰুষৰ সমানে সমানে খোজ মিলাব পৰা হৈছে, নাৰীয়েও পুৰুষৰ নিচিনা ঘৰৰ বাহিৰত গৈ উপাৰ্জন কৰে। এতিয়াৰ নাৰী কেৱল মাথোন ঘৰৰ চাৰিবেৰৰ মাজতেই আৱদ্ধ হৈ থকা নাই। কোনো কোনো ক্ষেত্ৰত নাৰীয়েহে পুৰুষতকৈ বেছি আগবাঢ়ি গৈছে। □

প্ৰবন্ধ

# শব্দ প্ৰদূষণ - পৰিৱেশ সুৰক্ষাৰ প্ৰতি এক প্ৰত্যাহ্বান

☐ শ্ৰীপংকজ কলিতা
স্নাতক ২য় বৰ্ষ ( বিজ্ঞান শাখা )

## প্ৰদূষিত পৃথিৱীত এক নতুন প্ৰদূষণ

পূজাৰ পৰা আৰম্ভ কৰি বিয়া পৰ্যন্ত সকলো উৎসৱতে আমি মাইক বজাও বা মহাআনন্দত ৰক্ সংগীত শুনো। ঘণ্টাৰ পিচত ঘণ্টা কাণত ৱা'কমেন (Walkmen) লগাই আধুনিকতা প্ৰদৰ্শন কৰো। চলাচলৰ অযোগ্য পথত বিকৃত শব্দ কৰি গাড়ী চলাও। আকৌ বিশৃংখল, নিয়মানুবৰ্তিতাৰ নাম গোন্ধ নথকা যান বাহন পূৰ্ণ পথত বৈ অবাৰত হৰ্ণ বজাও। এইবোৰে যে আমাক এক ৰোগাক্ৰান্ত বিধৰ জীৱনলৈ লৈ গৈ আছে, তাক কল্পনাও কৰিব নোৱাৰো। প্ৰায় ৮৫ বছৰ আগেয়ে এক বিখ্যাত জাৰ্মান অনুজীৱ বিজ্ঞানী ৰবাৰ্ট কখে কোলাহলৰ পৰা হ'ব পৰা অনিষ্টৰ বিষয়ে সতৰ্ক কৰি দিছিল। তেওঁ কৈছিল *"এনে এটা দিন আহিব যেতিয়া মানুহে কোলাহলৰ বিৰুদ্ধে কলেৰা, প্লেগৰ দৰে যুজিব লাগিব।"* আজি তেওঁৰ সতৰ্ক বাণী বিশেষকৈ মহানগৰী সমূহত আখৰে আখৰে ফলিয়াইছে। বাঢ়িঅহা জনসংখ্যা তথা দ্ৰুত উদ্যোগীকৰণে প্ৰাকৃতিক সম্পদ সমূহ ধ্বংস কৰি আমাৰ পৃথিৱীখনলৈ প্ৰদূষণ আৰু অৱক্ষয়ৰ ভয়াবহতা নমাই আনিছে। আজি কিছুদিন আগলৈকে প্ৰদূষণ বুলিলে প্ৰধানকৈ বায়ু, জল আৰু মাটি প্ৰদূষণকে বুজোৱা হৈছিল। এতিয়া ইয়াত শব্দ প্ৰদূষণো সংযোজিত হৈছে।

কোলাহল বা শব্দ প্ৰদূষণ (Noise Pollution) হৈছে এক বায়ুমণ্ডলীয় প্ৰদূষণ (Atmospheric Pollution)। উদ্যোগী কৰণ আৰু উন্নত প্ৰযুক্তি বিদ্যাই বঢ়াই নিয়া এই প্ৰদূষণ জনস্বাস্থ্যৰ এক প্ৰধান ক্ষতিৰ কাৰক হিছাপে চিহ্নিত হৈছে। সুন্দৰ সংগীতে মানুহৰ মগজুৰ কোষবোৰৰ কাৰ্য্যক্ষমতা বঢ়ায় আৰু মনৰ পৰা আমনি বিৰক্তি আতৰায়। কিন্তু ইয়াৰ অত্যাধিকতাই আকৌ কাৰ্য্য ক্ষমতা হ্ৰাস কৰে। এই বিষয়ত হোৱা গৱেষণাৰ পৰা দেখা গৈছে যে কোলাহলে মানুহৰ ক্লান্তি, বিৰক্তি বঢ়ায়, মগজুৰ কাৰ্য্যক্ষমতা, চিন্তা কৰা আৰু কাম কৰা শক্তি কমায়। আগতে শব্দ প্ৰদূষণ কাৰখানা আদিতে সীমাবদ্ধ আছিল। এতিয়া কিন্তু ই সকলো ঠাইতে বিয়পি পৰিছে। শব্দ প্ৰদূষণ চহৰ অঞ্চলতে সবাতোকৈ বেছি। কাৰখানা, গাড়ী-মটৰ, ৰেলৰ ইঞ্জিন, এৰোপ্লেন, ৰেডিঅ', টেপ্ৰেকৰ্ডাৰ, মাইক আদি শব্দ প্ৰদূষণৰ প্ৰধান উৎস। ডাঙৰ বিমানকোঠৰ ওচৰত বাস কৰা জনসাধাৰণ ভীষণ শব্দ প্ৰদূষণত উন্মুক্ত হয়। জেট্ ইঞ্জিনৰ আৱিষ্কাৰেও প্ৰদূষণ বৃদ্ধিত বিশেষভাৱে অৰিহনা যোগাইছে।

## শব্দ আৰু কোলাহল

কোনো বস্তুৱে আইন বস্তুৰ লগত সংঘৰ্ষ কৰিলে শব্দৰ সৃষ্টি হয়। অৰ্থাৎ পদাৰ্থৰ কম্পনৰ ফলতে শব্দৰ সৃষ্টি হয়। ই এক প্ৰকাৰৰ ঢৌ। ই গতি কৰে। শব্দ সঞ্চালনৰ বাবে মাধ্যমৰ দৰকাৰ গেছীয় মাধ্যমতকৈ জুলীয়া আৰু কঠিন মাধ্যমৰ মাজেৰে শব্দই অধিক বেগত গতি কৰিব পাৰে। প্ৰত্যেক পদাৰ্থৰ একো একোটা নিৰ্দিষ্ট কম্পানাংক থাকে। মানুহৰ কাণে সকলো প্ৰকাৰৰ শব্দ নুশুনে। ছেকেণ্ডত ২০ ৰ পৰা ২০,০০০ কম্পন বিশিষ্ট শব্দহে মানুহে শুনে। শ্ৰাব্য সীমাতকৈ কম হ'লে তেতিয়া ইয়াক নুশুনে। এনে শব্দক অৱধ্বনিক (Infrasonic) শব্দ বোলে। ভূ-কম্পনৰ ফলত এনে শব্দৰ সৃষ্টি হ'ব পাৰে। আকৌ কিছুমান শব্দৰ কম্পনাংক মানুহৰ শ্ৰাব্য সীমাতকৈ অধিক। এনে শব্দক অতিধ্বনিক (Ultrasonic) শব্দ বোলে। অত্যাধিক প্ৰাৱল্যৰ শব্দ মানুহৰ বাবে অপকাৰী। বিভিন্ন উৎসৰ পৰা নিৰ্গত হোৱা সামঞ্জস্যহীন শব্দই কোলাহল। এনে শব্দই প্ৰদুষণ কৰে। কোলাহল হৈছে অদৰকাৰী শব্দ। মন কৰিবলগীয়া এয়ে যে, যি শব্দ এজনৰ বাবে আনন্দদায়ক হয় সেই একে শব্দ আকৌ আন এজনৰ বাবে তীব্ৰ আমনিদায়ক হ'ব পাৰে। সেয়েহে শব্দ প্ৰদূষণৰ অধ্যয়নত শব্দ আৰু কোলাহলৰ মাজৰ পাৰ্থক্য নিৰ্দ্ধাৰণ কৰোতে শব্দ ক'ত, কি মানসিকতাৰ মানুহৰ মাজত হৈছে তাকো মনত ৰখা দৰকাৰ।

## কোলাহলৰ উৎস

শব্দৰ উৎস অনেক আছে। কিন্তু বহলকৈ ক'বলৈ গ'লে প্ৰধানকৈ উদ্যোগ আৰু অনাউদ্যোগৰ পৰাই কোলাহলৰ সৃষ্টি হয়। উদ্যোগৰ পৰা হোৱা কোলাহল প্ৰধানকৈ যাতায়তত ব্যৱহাৰ কৰা মটৰ গাড়ী, ৰেল, ট্ৰাক, এৰোপ্লেন, মটৰ চাইকেল, বিস্ফোৰণ আদিৰ পৰা হয়। আনহাতে ৰাস্তাত মানুহে কৰা হুলস্থুল, মাইক, ৰেডিঅ', টেলিভিছন, বতাহ, ধুমুহা আদিৰ পৰা হোৱা শব্দ অনাউদ্যোগিক কোলাহলৰ প্ৰধান উৎস।

### [illegible] শব্দৰ তীব্ৰতা

| শব্দৰ উৎস / প্ৰকৃতি | শব্দৰ তীব্ৰতা ( ডেছিবেলত ) |
|---|---|
| কোনোমতে শুনিব পৰা শব্দ | ১০ |
| ফুচ্‌ফুচাই কোৱা কথাৰ শব্দ | ৩০ |
| নিবিবিলি আৱাসিক অঞ্চল | ৪৫ |
| কথোপকথন, শীততাপ নিয়ন্ত্ৰক যন্ত্ৰ | ৬০ |
| বিৰক্তিকৰ শব্দ | ৬৫ |
| যথেষ্ট ডাঙৰকৈ হোৱা কথোপকথন | ৭০ |
| ডিজেল, ৰেলগাড়ী | ৮৩ |
| ডিজেল ট্ৰাক | ৮৪ |
| শ্ৰৱণ শক্তিক আঘাত কৰা শব্দ | ৮৫ |
| মটৰ চাইকেল | ১০৫ |
| ত্বৰান্বিত ডিজেল ট্ৰাক | ১১৪ |

## শব্দৰ তীব্ৰতাৰ জোখ

শব্দৰ প্ৰাবল্য অৰ্থাৎ শব্দ কিমান ডাঙৰ বা সৰু জোখ লবলৈ ব্যৱহাৰকৰা একক হৈছে ডেছিবেল (Decibel)। শব্দ বিজ্ঞানৰ ক্ষেত্ৰত বিজ্ঞানী আলেক্ জেণ্ডাৰ গ্ৰাহাম বেলে আগবঢ়োৱা গুৰুত্বপূৰ্ণ বৰঙণিৰ প্ৰতি সন্মান জনাই এই নামকৰণ কৰা হৈছে। দবাচলতে ১ডেছিবেল ১বেলৰ দহ ভাগৰ এভাগ। শব্দৰ উচ্চতা মেতা (Sound Level Metre) নামৰ যন্ত্ৰৰ সহায়ত শব্দৰ তীব্ৰতা জোখা হয়। ফুচফুচাই কথা কওঁতে ৩০ডেছিবেল শব্দৰ সৃষ্টি হয়। ৫০-৫৫ ডেছিবেল শব্দই মানুহৰ টোপনিত ব্যাঘাট জন্মাব পাৰে। ৬০ ডেছিবেল শব্দ সাধাৰণ কথাবতৰাৰ বাবে যথেষ্ট। ৯০ৰ পৰা ৯৫ ডেছিবেল শব্দই মানুহৰ স্নায়ুতন্ত্ৰত কু-প্ৰভাৱ পেলাব পাৰে। ১৫০-১৬০ ডেছিবেল শব্দই কিছুমান প্ৰাণীক সাংঘাটিক ৰূপে আঘাত কৰে। গৰ্ভৱতী মাতৃৰ সন্তানৰ ওপৰতো শব্দ প্ৰদূষণে যথেষ্ট প্ৰভাৱ পেলায়। ১১০-১২০ ডেছিবেলৰ শব্দৰ প্ৰভাৱত গৰ্ভস্থ সন্তানৰ বিকাশ তথা দৃষ্টি শক্তি কমি যায়। ভয়ৰ কথা এয়ে যে প্ৰতি বছৰে শব্দ প্ৰদূষণৰ মাত্ৰা দুগুণ হৈ গৈ আছে।

## শব্দ প্ৰদূষণৰ প্ৰতিক্ৰিয়া

কোলাহলে জীৱিত আৰু জড় পদাৰ্থৰ ওপৰত বহুতো বেয়া প্ৰতিক্ৰিয়া কৰে। মানুহৰ ওপৰত ইয়াৰ সাধাৰণ প্ৰভাৱ হ'ল - ই মানুহৰ টোপনিত ব্যাঘাত জন্মায়। আকৌ অইন বহুতো ক্ষেত্ৰত পাৰ্শ্বপ্ৰতিক্ৰিয়াৰো সৃষ্টি কৰে। ই মানুহৰ শ্ৰৱণ শক্তি নোহোৱা কৰিব পাৰে। সাধাৰণ ভাৱে কবলৈ গ'লে কোলাহলে মানুহক মানসিক ভাৱে শ্ৰান্ত কৰে। প্ৰচণ্ড কোলাহলৰ মাজত থকা মানুহ আৰু জন্তুৰ আচৰণো সলনি হোৱা দেখা যায়। অদৰকাৰী শব্দই মানুহক বিৰক্ত কৰে এনে শব্দৰ উৎস ধৰিব নোৱাৰিলে মানুহে তীব্ৰ যাতনা অনুভৱ কৰে। প্ৰচণ্ড কোলাহলত ইজনে সিজনৰ কথা নুশুনে যাৰ কাৰণে মানুহৰ কামতো ভুল-ভ্ৰান্তি হয়। কোলাহলে মানুহক উত্তেজিত কৰে আৰু স্নায়ুতন্ত্ৰত ক্ৰিয়া কৰে। শব্দ প্ৰদূষণে বেলেগ বেলেগ মানুহৰ ক্ষেত্ৰত বেলেগ বেলেগ ধৰণে ক্ৰিয়া কৰে। শব্দ প্ৰদূষণে জীৱৰ শাৰীৰিক প্ৰক্ৰিয়াতো কু-প্ৰভাৱ পেলায়। চৰায়ে কণী পাৰিবলৈ এৰি দিয়ে। জন্তুৱে বাসস্থান সলনি কৰে। কোলাহল পূৰ্ণ স্থানত প্ৰৱিভ্ৰমী চৰাইৰ (Migratory Bird) সংখ্যা কমি যায়। শব্দ প্ৰদূষণে মানুহৰ পেটত আলচাৰ (Ulture) কৰিব পাৰে। কিয়নো ই অম্লৰস (Gastric juice) ৰ চলাচলত বাধা দিয়ে। গৰ্ভৱতী মহিলাৰ কেতিয়াবা গৰ্ভপাতো হ'ব পাৰে। নহ'লেও গৰ্ভস্থ সন্তানৰ অইন ক্ষতি হব পাৰে। জড় পদাৰ্থ যেনে, ডাঙৰ ঘৰ,দলং আদিৰ ওপৰতো কোলাহলে প্ৰভাৱ পেলায়। প্ৰচণ্ড শব্দই এনেবোৰ বস্তুত ডাঙৰ ফাট মেলাত সহায় কৰে। কোলাহল পূৰ্ণ অঞ্চলৰ মানুহে চিঞৰি কথা কোৱা এটা অভ্যাসত পৰিণত হয় আৰু কেতিয়াবা শ্ৰৱণ শক্তি হেৰুৱাব লগাত পৰে। সেয়েহে ভাৰতত শব্দ প্ৰদূষণৰ ওপৰত বহল গৱেষণাৰ প্ৰয়োজন আছে।

## আইনৰ দ্বাৰা কোলাহল নিয়ন্ত্ৰণ

বৰ্তমান প্ৰায় সকলোতে যি কোনো ৰূপত প্ৰদূষণ বিয়পি পৰিছে। ই প্ৰকৃততে স্বাভাৱিক পৰিচালনতন্ত্ৰ (Eco-system )ত কুপ্ৰভাৱ পেলাইছে, পৰিৱেশ সংৰক্ষণটো বাধা দিছে। সেয়ে আইন প্ৰনয়ণ কৰি প্ৰদূষণ নিয়ন্ত্ৰণ কৰা অতি প্ৰয়োজন। বহুতো দেশত শব্দ প্ৰদূষণ ৰোধ কৰিবলৈ কিছুমান আইন আছে। উদাহৰণ স্বৰূপে ইংলেণ্ড আৰু আমেৰিকাৰ নাম উল্লেখ কৰিব পাৰি। ইংলেণ্ডত "শব্দ প্ৰদূষণ নিয়ন্ত্ৰন আইন ১৯৬০" (Noise Abatement Act,1960) ত দুটা অনুচ্ছেদ আছে-

ক) লাউডস্পীকাৰ ৰাতি ৯ বজাৰ পৰা পিছদিনা পুৱা ৮ বজালৈ বজাব নোৱাৰিব।

খ) অইন সময়ত আমোদ -প্ৰমোদ , বিজ্ঞাপন বা ব্যৱসায় আদিৰ কামত বজাব নোৱাৰিব। আনহাতে আমেৰিকাৰ শব্দ প্ৰদূষণ নিয়ন্ত্ৰণ আইন,১৯৭০, খন শব্দ প্ৰদূষণৰ বাবে এক উপযুক্ত আইন ব্যৱস্থা। এই আইন মতে পৰিৱেশ সংৰক্ষণ সংস্থাবোৰে শব্দ - প্ৰদূষণ নিয়ন্ত্ৰণৰ কাৰণে, শব্দ প্ৰদূষণৰ পৰা হোৱা বিপজ্জনক ক্ৰিয়া সমূহ জন সধাৰণক অৱগত কৰিবৰ বাবে বিভিন্ন ঠাইত সাধাৰণ সভা-সমিতি আদিৰ আয়োজন কৰে। আমেৰিকাৰ কিছুমান প্ৰদেশত পৰিৱেশ সংৰক্ষণ তেওঁলোকৰ সংবিধানতে সন্নিৱিষ্ট কৰা হৈছে। আমাৰ দেশত কেৱল শব্দ প্ৰদূষণ আৰু ইয়াৰ নিয়ন্ত্ৰণৰ বাবে নিৰ্দিষ্ট কোনো আইন নাই। অৱশ্যে ভাৰতীয় সংবিধানৰ ৩৯ (ঙ) , ৪৭,৪৮ (ক) আৰু ৫১-ক (ছ) ত (Article 39(e) 47,48,(a) and 51-A(g) ) ইয়াৰ কিছু উপায় দিয়া আছে। ইয়াৰ মতে মুনিহ, তিৰোতা তথা শিশুৰ স্বাস্থ্য আৰু শক্তিৰ অপপ্ৰয়োগ কৰিব নালাগে।

## শব্দ প্ৰদূষণ প্ৰতিৰোধৰ উপায়

শব্দ প্ৰদূষণ নিয়ন্ত্ৰণৰ কাৰণে তলত উল্লেখ কৰা ব্যৱস্থা সমূহ গ্ৰহণ কৰিব পাৰি।

১) যান-বাহনৰ যন্ত্ৰ-পাতিবোৰ ভালদৰে ৰাখিব লাগে যাতে ইয়াৰ কম্পন আৰু শব্দ কম হয়।

২) অনাহকত মটৰ গাড়ী, স্কুটাৰ আদিৰ হৰ্ণ বজাব নালাগে।

৩) যান-বাহন নিয়ন্ত্ৰণৰ নিয়মবোৰ ঠিকমতে পালন কৰিব লাগে আৰু কিছু ব্যস্ত পথত উৰণীয়া দলং (Fly over) ৰ ব্যৱস্থা কৰিব লাগে।

৪) গাড়ীবোৰ অযথা জোৰেৰে চলাব নালাগে।

৫) নিম,আহত,অশোক,জামু,আমলখি আদি গছবোৰ শব্দৰ ভাল শোষক। সেয়েহে এনে গছ ৰাস্তাৰ দাঁতিত পৰিকল্পিত ভাবে ৰোৱা উচিত।


৬) শংকু আকৃতিৰ লাউড স্পীকাৰৰ ঠাইত বেলেগ আকৃতিৰ মাইক ব্যৱহাৰ কৰিব লাগে।

৭) উদ্যোগ আদিত ব্যৱহাৰ কৰা মেছিনবোৰ নিয়মিতভাবে পৰীক্ষা কৰা উচিত যাতে ইয়াৰ পৰা শব্দ বেছি নহয়।

শেষত জনসাধাৰণক শব্দ প্ৰদূষণৰ প্ৰতি সজাগ কৰিবলৈ ইয়াক পাঠ্যক্ৰমতো অন্তৰ্ভূক্ত কৰা প্ৰয়োজন।□□□

প্ৰবন্ধটি যুগুত কৰোতে বিভিন্ন সমলৰ সহায় লোৱা হৈছে।

প্ৰবন্ধ



# টেনিছৰ ৰাণী ষ্টেফি

☐ শ্ৰীহেমন্ত কুমাৰ ৰাভা
স্নাতক ২য় বৰ্ষ (কলা)

বিশ্বৰ মহিলা টেনিছ জগতৰ এটা চিনাকি নাম হ'ল ষ্টেফি গ্ৰাফ। আত্মপ্ৰকাশ কৰিয়েই টেনিছ প্ৰেমীৰ মন জয় কৰা জাৰ্মান টেনিছৰ সৰ্বকালৰ শ্ৰেষ্ঠা তাৰকা গৰাকীৰ নাম হ'ল ষ্টেফানি মাৰিয়া( ষ্টেফি) গ্ৰাফ। ১৯৬৯চনৰ জাৰ্মানীৰ ব্ৰুয়েলৰ এটি মধ্যবিত্ত পৰিয়ালত ষ্টেফিগ্ৰাফৰ জন্ম হয়। ষ্টেফিৰ মাক হাইড়ি গ্ৰাফ আৰু দেউতাক পিটাৰ গ্ৰাফে ব্যৱসায় কৰিছিল। সোণালী চুলিৰ নীলা চকুৰ জাৰ্মান কিশোৰী জনীয়ে ১৯৭২ চনতে চুটি গ্ৰিপৰ কাঠৰ বেটেৰে প্ৰথম টেনিছ খেলাৰ প্ৰয়াস কৰিছিল। মাত্ৰ তিনি বছৰ ন মাহ বয়সতে ষ্টেফিয়ে টেনিছ ৰেকেটখন মূৰৰ ওপৰলৈ দাঙি ধৰিব পাৰিছিল। গ্ৰাফৰ টেনিছ কেৰিয়াৰৰ স্বাৰ্থত পিতৃয়ে নিজৰ ব্যৱসায় বিক্ৰী কৰি ঘৰৰ কাষতে টেনিছ হল এটা খুলিছিল। এই হলত প্ৰতিদিনে ষ্টেফিয়ে এঘণ্টা বা দুঘণ্টাকৈ অনুশীলন কৰিছিল। ষ্টেফিৰ বয়স তেতিয়া মাত্ৰ ছয় বছৰ। এখন হোটেলত পিতৃ পিটাৰ গ্ৰাফৰ সৈতে ফ্ৰাংকফুৰ্টৰ ডেট্লেফ গ্ৰচ নামৰ ডানলপ কোম্পানীৰ মেনেজাৰৰ সাক্ষাৎ হ'ল। গ্ৰচৰ আঠ বছৰীয়া পুত্ৰই ষ্টেফিৰ স'তে টেনিছ খেলাৰ ইচ্ছা কৰিলে। ষ্টেফিয়ে তেওঁতকৈ দুই বছৰ ডাঙৰ ল'ৰাজনক ৬-১ আৰু ৬-০ গেমত পৰাস্ত কৰে। এই ঘটনাই ষ্টেফিৰ জীৱনলৈ সৌভাগ্য কঢ়িয়াই আনিলে। ডানলপ কোম্পানীয়ে ষ্টেফিক স্পনচৰ কৰাৰ সিদ্ধান্ত ল'লে। ইয়াৰ পিছত ১১,১২ আৰু ১৩ বছৰ বয়সত ষ্টেফি ইউৰোপীয় চেম্পিয়ন হয়। ১৯৮২ চনত তেৰ বছৰ বয়সত তেতিয়াৰ বিশ্বৰ শীৰ্ষস্থানীয় তাৰকা ট্ৰেচি অষ্টিনৰ সৈতে এখন প্ৰফেশ্যনেল টেনিছত আত্ম প্ৰকাশ কৰি নিজৰ প্ৰথম খেলতে ৬-৪ আৰু ৬-০ গেমত পৰাজয়ৰ সন্মুখীন হয় যদিও সোণালী চুলি আৰু পাতল নীলা চকুৰ এই কিশোৰী জনীয়ে বহুতো টেনিছ প্ৰেমীৰ মন মুহি পেলাইছিল। তেৰ বছৰ বয়সত তেওঁৰ অনুৰ্ধ ১৮বছৰৰ জাৰ্মান জুনিয়ৰ প্ৰতিযোগিতাত জয়ী হয়। ই হ'ল ষ্টেফিৰ প্ৰথম ডাঙৰ বিজয়। এই সময়তে WITA (WOMEN INTERNATIONAL TENIS ASSÒCIATION) কম্পিউটাৰত ৰেংকিং পোৱা দ্বিতীয় সৰ্ব কনিষ্ঠা খেলুৱৈ ৰূপে স্বীকৃত হয়। ১৯৮৪ চনৰ লচ্ এঞ্জেলচ্ অলিম্পিকত টেনিছ প্ৰদৰ্শনীমূলক প্ৰতিযোগিতাত প্ৰতিযোগীৰূপে অন্তৰ্ভুক্ত হৈছিল। উক্ত অলিম্পিকত প্ৰতিযোগিতাৰ ভিতৰতে সৰ্ব কনিষ্ঠা খেলুৱৈ হিচাপে স্বৰ্ণ পদকৰ সন্মান লাভ কৰিছিল। ষ্টেফিয়ে উইম্বলডনত পোন প্ৰথম বাৰৰ বাবে ভুমুকি মাৰে ১৯৮৪ চনত। ষ্টেফিয়ে চুচান মেচ কেৰিণ, চু -ব্ৰাকাৰ, আৰু বেটিনা বুংগেক পৰাস্ত কৰি চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছিল। চতুৰ্থ ৰাউণ্ডত তেওঁ দশম বাচনি প্ৰাপ্ত জো ডুৰিৰ সন্মুখীন হৈ পৰাস্ত হয়। ১৯৮৫ চনত ইউ এছ অপেনৰ ছেমিফাইনেলত ক্ৰিচ এভাৰ্টক ৬-৪ আৰু ৭-৫ গেমত পৰাস্ত কৰি প্ৰথম বিজয়ৰ মুকুট অৰ্জন কৰিলে। ষ্টেফিয়ে প্ৰথম গ্ৰেণ্ড শ্লেম প্ৰতিযোগিতাত জয় হয় ১৯৮৭ চনত। মাৰ্টিনা নাভ্ৰাটিলোভাক ফ্ৰেন্স অপেনাৰ ফাইনেলত ৬-৪ আৰু ৪-৬ আৰু ৮-৬ গেমত পৰাস্ত কৰি ষ্টেফিয়ে সেই সন্মান লাভ কৰিছিল। ইয়াৰ পৰাই দ্ৰুত গতিৰে চেঁকুৰিছিল ষ্টেফিৰ অশ্বমেধ। ১৯৯০ চনত এগৰাকী মডেলৰ সৈতে পিতৃৰ সম্পৰ্কক লৈ সংবাদ মাধ্যমে চলোৱা প্ৰচাৰৰ বাবে গ্ৰাফে কঠিন সময় পাৰ কৰিব লগা হয়। ইয়াৰ উপৰি ১৯৯৫ চনত কৰ ফাকি দিয়া বাবে তেওঁৰ পিতৃক ৩ বছৰ ৯ মাহৰ কাৰাদণ্ডৰ আদেশ দিয়া হৈছিল। এই ঘোৰ ঘটনাই ষ্টেফিৰ মনৰ ওপৰত যথেষ্ট চাপ পেলাইছিল। তথাপি থমকি ৰোৱা নাছিল ষ্টেফিৰ দুহাত। ৩৭৭ সপ্তাহ ধৰি ধাৰাবাহিক ভাবে এক নম্বৰ খেলুৱৈৰ ৰেংকিং অক্ষুন্ন ৰাখিছিল। গ্ৰেণ্ড শ্লেম প্ৰতিযোগিতাত মুঠ ২২ বাৰ বিজয়ী হৈ ৰেকৰ্ড স্থাপন কৰিছে। ইয়াৰে অষ্ট্ৰেলিয়ান অপেনত বিজয়ী চাৰিবাৰ ক্ৰমে ১৯৮৮,৮৯,৯০ আৰু ৯৪চনত, ছয়বাৰ ফ্ৰেন্স অ'পেনত ক্ৰমে ১৯৮৭,৮৮,৯৩,৯৫,৯৬,আৰু ৯৯ চনত, উইম্বলডনত বিজয়ী সাতবাৰ ক্ৰমে ১৯৮৮,৮৯,৯১,৯২, ৯৩,৯৫আৰু ৯৬চনত, ইউ এচ অ'পেনত বিজয়ী ক্ৰমে ১৯৮৮,৮৯,৯৩,৯৫ আৰু ৯৬ চনত। ইয়াৰ উপৰি ৩১বাৰ গ্ৰেণ্ডশ্লেম ফাইনেলত আৰু ৩৭বাৰ গ্ৰেণ্ডশ্লেম ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। ইয়াৰ লগতে আছে ১০৭টা ডব্লিউ টি এ খিতাপ। যিটো কল্পনা কৰিবলৈও হয়তো সাহস গোটাব নোৱাৰি।

সময় গতিশীল, ই কাৰো বাবে ৰৈ নাথাকে। প্ৰতিজন চেম্পিয়নৰ জীৱনলৈএটা সন্ধিক্ষণ নামি আহে। ষ্টেফিৰ জীৱনটো এনে এটা সময় আহিছিল। প্ৰায় ১৭ বছৰ টেনিছ কোৰ্টত থাকি অৱশেষত ১৯৯৯ চনৰ অক্টোবৰ মাহত প্ৰায় ৩০ বছৰ বয়সত অৱসৰ গ্ৰহণ কৰাৰ সিদ্ধান্ত কৰে। লগে লগে অন্ত পৰিল টেনিছ জগতৰ এক স্বৰ্ণ অধ্যায়ৰ। প্ৰায় ৫৯ কেজি ওজন আৰু ১.৭৫ মিটাৰ উচ্চতাৰে ষ্টেফিগ্ৰাফৰ শাৰীৰিক সৌন্দৰ্য্যও মন কৰিবলগীয়া। জাৰ্মান টেনিছক উচ্চ আসন প্ৰদান কৰাত বৰিছ বেকাৰ আৰু ষ্টেফি গ্ৰাফৰ অৱদান অনস্বীকাৰ্য। টেনিছক জাৰ্মানীৰ সবাতোকৈ জনপ্ৰিয় খেল স্বীকৃতি প্ৰদান কৰাৰ মূলতেই আছে বেকাৰ আৰু ষ্টেফি গ্ৰাফ। গ্ৰাফৰ বিদায়ে জাৰ্মান টেনিছত এক বিৰাট শূন্যতা বিৰাজ কৰিব। ষ্টেফি গ্ৰাফৰ বৰ্ণময় টেনিছ জীৱনৰ এক লক্ষণীয় দিশ হৈছে কাহানিও তেওঁ কোনো বিতৰ্কত জড়িত হৈ পৰা নাই। সেই বাবেই তেওঁ চিৰদিন সকলোৰে নয়নৰ মণি হৈয়ে ব'ব। ☐☐☐

প্ৰবন্ধ

# 'জৱাহৰ জ্যোতি'ৰ কুৰিটা সংখ্যাত এভূমুকি

শ্ৰীবসন্ত কুমাৰ দত্ত,
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ

শিক্ষানুষ্ঠানবোৰৰ, বিশেষকৈ মহাবিদ্যালয় পৰ্যায়ৰ শিক্ষানুষ্ঠান সমূহৰ মুখপত্ৰ স্বৰূপে একো একোখন আলোচনী থকাটো বাঞ্ছনীয়। ব্যক্তিগত জীৱনৰ নিচিনা একোটা অনুষ্ঠানৰ একোটা ইতিহাস থাকে। আলোচনীবোৰে অনুষ্ঠানবোৰৰ ইতিহাসৰ গতিধাৰাক ধৰি ৰাখে। কেতিয়াবা কোনো এটা শিক্ষানুষ্ঠানৰ অতীত বুৰঞ্জী আলোচনা কৰিব খুজিলে তাৰ আলোচনীখন অপৰিহাৰ্য হৈ পৰে ; কাৰণ তাত অনুষ্ঠানটোৰ বিবিধ কাৰ্যাৱলীৰ সম্যক পৰিচয় পোৱা যায়।আনহাতে আলোচনী এখন নাথাকিলে হালধি নিদিয়া আঞ্জাৰ দৰে অনুষ্ঠানটো কিবা উকা উকা লাগে।

১৯৬৪ চনৰ ৩ আগষ্ট তাৰিখটো বকো অঞ্চলৰ ৰাইজৰ বাবে এটি উজ্জ্বল সোণালী দিন। এই দিনটোতে সকলো ফালৰ পৰা অনুন্নত অঞ্চলটোত উচ্চ শিক্ষাৰ পোহৰ বিলোৱাৰ উদ্দেশ্যেৰে বকো 'জৱাহৰলাল নেহৰু মহাবিদ্যালয়'ৰ দুৱাৰ মুকলি কৰা হৈছিল। নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি আহি ১৯৮৯ চনত মহাবিদ্যালয়খনে 'ৰূপালী জয়ন্তী' বৰ্ষ পালন কৰি সোণালী জয়ন্তীৰ ফাললৈ আগবাঢ়িছে।১৯৬৪ চনত স্থাপিত হয় যদিও ১৯৬৯ চনলৈকে মহাবিদ্যালয়খনৰ কোনো আলোচনী প্ৰকাশ হোৱা নাছিল। ঘাটি মঞ্জুৰীৰ অধীনৰ মহাবিদ্যালয় সমূহে আলোচনী প্ৰকাশৰ বাবে চৰকাৰৰ পৰা কোনো ধৰণৰ আৰ্থিক সাহায্য নাপায়। আলোচনী এখন ছপা আকাৰত উলিয়াবৰ বাবে ঘাইকৈ ছাত্ৰ-ছাত্ৰী সকলৰ বৰঙণিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। মহাবিদ্যালয়ৰ প্ৰাৰম্ভিক কালছোৱাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তাকৰ হোৱাৰ লগতে আৰ্থিক দিশত দুৰ্বল হোৱা হেতুকে সম্যক পৰিমাণৰ মাচুল সংগ্ৰহ কৰাটো সম্ভৱ হোৱা নাছিল। ১৯৬৯ চনৰ ১ ছেপ্তেম্বৰ তাৰিখৰ পৰা মহাবিদ্যালয়খনে চৰকাৰৰ পৰা ঘাটি-মঞ্জুৰি লাভ কৰিবলৈ সক্ষম হয়। প্ৰতিষ্ঠা হোৱাৰ সুদীৰ্ঘ পাঁচ বছৰৰ পিচত ১৯৭০-৭১ চনৰ শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়খনৰ মুখপত্ৰ স্বৰূপে 'জৱাহৰ জ্যোতি'য়ে আত্ম প্ৰকাশ কৰে। ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা সকলৰ সাহিত্যিক আৰু বৌদ্ধিক-চিন্তা চৰ্চাৰ ক্ষেত্ৰভূমি হিচাপে এখন আলোচনী উলিওৱাৰ যি প্ৰয়োজনীয়তা অনুভৱ কৰি অহা হৈছিল, সি বাস্তৱায়িত হোৱাৰ পথত প্ৰথম পদক্ষেপ পেলায়। লগতে ইমান দিনে আলোচনী এখনৰ অভাৱে সৃষ্টি কৰা উকা উকা লগা পৰিৱেশটোৰ অন্ত পৰে। এই প্ৰচেষ্টাত মহাবিদ্যালয়খনৰ তদানীন্তন অধ্যক্ষ শ্ৰী যতীন্দ্ৰ চন্দ্ৰ নাথদেৱৰ উদ্যম আৰু আগ্ৰহ প্ৰশংসনীয়। দূৰদৰ্শী নাথ দেৱে অনুভৱ কৰিছিল যে আলোচনীখনে ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা সকলৰ সাহিত্যিক প্ৰতিভা বিকাশৰ থলী হোৱাৰ উপৰিও মহাবিদ্যালয়খনৰ সুখ-দুখ, পোৱা-নোপোৱা, সফলতা-বিফলতাক তুলি ধৰি সঠিক পথ নিৰ্দেশৰ আঁত ধৰিব। মহাবিদ্যালয়খনৰ জন্ম-লগ্নৰ পৰা জড়িত এজন শিক্ষক হিচাপে আমি লাভ কৰা অভিজ্ঞতাৰ পৰা নিৰ্মোহভাৱে এই কথাখিনি উল্লেখ কৰিলোঁ।

পৰিতাপৰ কথা যে 'জৱাহৰ জ্যোতি' প্ৰথম প্ৰকাশৰ পিচতে থমকি ৰ'ব লগা হ'ল। ১৯৭১-৭২, ১৯৭২-৭৩, ১৯৭৩-৭৪, ১৯৭৪-৭৫ চনৰ শিক্ষাবৰ্ষ কেইটাত আলোচনীখন উলিয়াব পৰা নগ'ল। আৰ্থিক অনাটনৰ দিশটোৱে এই বিষয়ত কঠিন বাধাস্বৰূপে থিয় দিছিল যদিও, বাধা অতিক্ৰম কৰাৰ মানসিকতা মহাবিদ্যালয় পৰিয়ালৰ প্ৰবল হৈয়ে আছিল। ফলস্বৰূপে ১৯৭৫-৭৬, ১৯৭৬-৭৭, ১৯৭৭-৭৮ চন কেইটাত 'জৱাহৰজ্যোতি' প্ৰকাশ পায়। ১৯৭৮-৭৯, ১৯৭৯-৮০ চনৰ শিক্ষাবছৰ দুটা বাদ দি ১৯৯৭-৯৮ চনলৈ একেবাহে আলোচনীখন প্ৰকাশিত হৈ আহিছে।

উক্ত বছৰ দুটাৰ আলোচনী দুখন প্ৰকাশ কৰিব নোৱাৰাৰ মূল কাৰণ আছিল 'সদৌ অসম ছাত্ৰ সন্থা'ৰ উদ্যোগত আৰম্ভ হোৱা বিদেশী বহিষ্কাৰ আন্দোলন। এই আন্দোলনে অসমৰ শিক্ষা, সাহিত্য-সংস্কৃতি আৰু সমাজ জীৱনৰ অন্যান্য ক্ষেত্ৰত ভালেখিনি আউল লগালে। শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ উপৰিও সুস্থ-সাহিত্য -সংস্কৃতি চৰ্চাৰ ক্ষেত্ৰটো স্থবিৰতাই দেখা দিয়ে। জৱাহৰলাল নেহৰু মহাবিদ্যালয়েও এই অশুভ পৰিবেশৰ পৰা নিজকে আঁতৰাই ৰাখিব নোৱাৰিলে। ফলশ্ৰুতিত মহাবিদ্যালয়ৰ আলোচনী 'জৱাহৰ জ্যোতি'ৰ প্ৰকাশ সম্ভৱ নহ'ল। এনেবোৰ বিপৰ্যয় অতিক্ৰম কৰি এতিয়ালৈকে কুৰিটা সংখ্যা ওলাইছে। এই লেখাটো একবিংশ সংখ্যাৰ ভিতৰুৱা।

১৯৯৮-৯৯ চনৰ শিক্ষাবৰ্ষৰ 'জৱাহৰ জ্যোতি'ৰ তত্ত্বাৱধায়িকা অধ্যাপিকা শ্ৰীমতী বিজয়া ডেকাই এতিয়ালৈকে প্ৰকাশিত কুৰিটা সংখ্যাৰ ওপৰত এটি পৰ্যালোচনা আগবঢ়াবলৈ বাৰে বাৰে তাগিদা দিয়াত যোগ্যতাৰ সীমাবদ্ধতা স্বত্বেও প্ৰস্তাৱটোত মান্তি হ'লো। আমি সঠিক অৰ্থত সাহিত্যৰ সমালোচক নহওঁ বা সমালোচনাৰ প্ৰাথমিক জ্ঞানখিনিও নাই ; তথাপি এজন সাধাৰণ পাঠক হিচাপে আলোচনী খনৰ সংখ্যাবোৰৰ বিষয়ে এটি ক্ষীপ্ৰ সমীক্ষা উপস্থাপন কৰিবলৈ প্ৰয়াস কৰিছোঁ।

আলোচনীখন উলিওৱাৰ মূলতে কিছুমান উদ্দেশ্য নিহিত থাকে, সেই কথা ওপৰত চমুকৈ উল্লেখ কৰা হৈছে।এই প্ৰসঙ্গত কটন কলেজৰ প্ৰথম অধ্যক্ষ ছুডমাৰ্ছন ছাহাবৰ এষাৰ মন্তব্য উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলো। কটন কলেজ ১৯০১ চনত স্থাপিত হয় যদিও ১৯২২ চনলৈকে

কটন কলেজৰ কোনো আলোচনী প্ৰকাশ হোৱা নাছিল । ১৯২২ চনৰ ডিচেম্বৰ মাহত 'কটন কলেজ-মেগাজিন'ৰ প্ৰথম সংখ্যা প্ৰকাশ হয় ( ১৯৩৩ চনত 'কটন-কলেজ মেগাজিন'ৰ নাম 'কটনিয়ান' কৰা হয় যাতে কলেজৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীয়ে একেটা পৰিয়ালৰ একোজন বুলি ভাবিব পাৰে) ।আলোচনীখনৰ উদ্দেশ্য সম্পৰ্কে অধ্যক্ষ ছুডমাৰ্চন ছাহাবে 'কটন কলেজ মেগাজিন'ৰ প্ৰথম সংখ্যাৰ আগকথাত স্পষ্টভাৱে উল্লেখ কৰিছে । তেখেতৰ সুচিন্তিত মন্তব্যটো এনেধৰণৰ-"আলোচনী খনক কলেজৰ বিবিধ কাৰ্যাৱলীৰ সংৰক্ষণৰ স্থলী হিচাপে সজাবলৈ আশা কৰা হৈছে । কলেজৰ নানা বা-বাতৰিৰ উপৰিও পুৰণি ছাত্ৰ-ছাত্ৰী সকলৰ জীৱনৰ সফলতা বা উন্নতি আদিৰ কথাও লিপিবদ্ধ কৰা হ'ব । এনে ধৰণে ন-পুৰণি সকলো ছাত্ৰ-ছাত্ৰীৰ লগত সংযোগ ৰাখি সমগোত্ৰী ভাব স্থাপনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলৰ মনত সদায় অনুষ্ঠানটোৰ প্ৰতি মৰম আৰু কৰ্তব্যৰ সচেতনতা বৃদ্ধি কৰাত আলোচনী খনে ভূমিকা গ্ৰহণ কৰিব পাৰিব ।"-উক্ত মন্তব্যৰ তাৎপৰ্য্য খিনি 'জ্বাহৰ জ্যোতি'ৰ উদ্দেশ্যৰ ভিতৰুৱা কৰি ল'লে আলোচনী খনৰ মানৰ বহুমুখীতাৰ লগতে উৎকৰ্ষও সাধিত হ'ব বুলি বিশ্বাস কৰিব পাৰি ।

সাধাৰণতে মহাবিদ্যালয়ৰ আলোচনী একোখন সজাই-পৰাই তোলা হয় মূলতঃ কবিতা, চুটি গল্প, প্ৰবন্ধ,একাংকিকা, ভ্ৰমণ কাহিনী, সাক্ষাৎকাৰ আদি সাহিত্যৰ নানাৰঙী উপাদানেৰে । আলোচনীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক -শিক্ষয়িত্ৰী, অতিথি লেখক আদিৰ লেখা-মেলাও প্ৰকাশ কৰা হয় । লগতে মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ অভাৱ-অভিযোগ, অগ্ৰগতি আদিৰ খতিয়ানো দাঙি ধৰা হয় । 'জ্বাহৰ জ্যোতি'ও ইয়াৰ ব্যতিক্ৰম নহয় ।প্ৰথম সংখ্যাৰ পৰাই আলোচনীখন উচ্চ মানৰ কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাই । তৎস্বত্বেও এই কথা ডাঠি ক'ব পৰা হোৱাগৈ নাই যে আলোচনীখনে এক বিশিষ্ট ৰূপ পৰিগ্ৰহ কৰিছে। উচ্চমান বিশিষ্ট নোহোৱাৰ গুৰিতে অনেকবোৰ কাৰণেই আছে । প্ৰথম কথা, মহাবিদ্যালয়খন থকা অঞ্চলটো বহু আগৰে পৰা শিক্ষাৰ ক্ষেত্ৰত দুখ লগাকৈ অনগ্ৰসৰ । শিক্ষা অবিহনে সাহিত্য সৃষ্টিৰ পৰিৱেশো গঢ় লৈ নুঠে । মহাবিদ্যালয় খনে উচ্চ শিক্ষাৰ দুৱাৰ মুকলি কৰিলেও সাহিত্য কৰ্মৰ বাবে প্ৰয়োজনীয় বিস্তৃত আৰু গভীৰ অধ্যয়নৰ কথা বাদ দিও নিম্নতম পৰিৱেশ খিনিও ভালেমান দিনলৈ সৃষ্টি কৰিব পৰা নাছিল । বৰ্তমানেও যে সাহিত্য-সৃষ্টিৰ লাগতিয়াল পৰিৱেশ সৃষ্টি হৈছে, সেই কথাও ন-দি ক'ব নোৱাৰি । তথাপি ইমানবোৰ নেতিবাচক দিশ থকা স্বত্বেও সুপ্ত প্ৰতিভাক উলিয়াই আনিবলৈ 'জ্বাহৰ জ্যোতি'য়ে ঐকান্তিক প্ৰচেষ্টা অব্যাহত ৰাখিছে ।

'জ্বাহৰ জ্যোতি'ৰ উনবিংশ সংখ্যালৈ ঘাইকৈ অসমীয়া আৰু ইংৰাজী ভাষাৰ দুটা শাখা প্ৰৱৰ্ত্তিত হৈ আহিছিল । বিংশ সংখ্যাত অসমীয়া আৰু ইংৰাজীৰ লগতে এটা প্ৰবন্ধ, তিনিটা গল্প, আৰু ছয়টা কবিতাৰে বড়ো ভাষাৰ শাখা এটাও প্ৰৱৰ্ত্তন কৰা হৈছে । আলোচনীখনত মহাবিদ্যালয়খনৰ নিয়মীয়া ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, অতিথি লেখক আদিৰ লেখা-মেলাও প্ৰকাশ কৰা হৈছে । ইয়াৰ উপৰিও সমাজৰ বিভিন্ন ক্ষেত্ৰত অবিহণা যোগোৱা বিশিষ্ট ব্যক্তিৰ সাক্ষাৎকাৰ মাজে-সময়ে প্ৰকাশ পাইছে ।

□□আলোচনী এখন নাথাকিলে হালধী নিদিয়া আঞ্জাৰ দৰে অনুষ্ঠানটো কিলা উকা উকা লাগে ।□□

প্ৰথম সংখ্যাৰ পৰা বিংশ সংখ্যালৈকে অসমীয়া আৰু ইংৰাজী ভাষাত লেখা বিভিন্ন অৱদানৰ লেখা তলৰ তালিকাখনত দেখুওৱা হ'ল :-

| লেখকৰ শ্ৰেণী | কবিতা | | গল্প | | প্ৰবন্ধ | | গীত | একাংকিকা | ভ্ৰমণ কাহিনী | সাক্ষাৎকাৰ | বৈশিষ্ট্য... |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | অ | ইং | অ | ইং | অ | ইং | অ: | অ: | অ: | অ: | |
| ছাত্ৰ-ছাত্ৰী | ২৫৯ | ৫ | ৬৮ | - | ৬৪ | - | ১২ | ৩ | ২ | - | ৫ |
| অধ্যাপক/ অধ্যাপিকা | ৪৩ | - | ২ | ২ | ৪৫ | ৩৫ | ২ | - | - | - | ৩ |
| অতিথি লেখক | - | - | - | - | ২ | - | - | - | - | ৫ | - |
| মুঠ | ৩০২ | ৫ | ৭০ | ২ | ১১১ | ৩৫ | ১৪ | ৩ | ২ | ৫ | ৮ |

তালিকাখন লক্ষ্য কৰিলে দেখা যায় যে ইংৰাজী ভাষাৰ শাখাত যিখিনি লেখা প্ৰকাশ পাইছে, তাৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ অৱদান তেনেই নগন্য ।তেওঁলোকে মাত্ৰ পাঁচটা কবিতা লেখিছে ; বাকী দুটা গল্পৰ লগতে পয়ত্ৰিশটা ইংৰাজী প্ৰবন্ধই অধ্যাপক-অধ্যাপিকাসকলে লেখা । দীৰ্ঘদিন ধৰি 'জ্বাহৰ জ্যোতি'ৰ সম্পাদনা সমিতিৰ সদস্য হিচাপে থাকি মন কৰিছিলো যে, গল্প, প্ৰবন্ধ আৰু অন্যান্য শিতানৰ লেখাৰ তুলনাত কবিতাৰ সংখ্যাই সৰহ । প্ৰতিটো সংখ্যাৰ বাবেই কবিতাৰ নামত যথেষ্ট সংখ্যক লেখা সম্পাদনাৰ মেজত গোট খায়হি । প্ৰকাশিত কবিতাখিনিৰ তুলনাত অনুপযুক্ত বুলি বিবেচিত কবিতাৰ সংখ্যাই আছিল বহু বেচি । অপ্ৰিয় হ'লেও ক'ব লাগিব যে যিবোৰ কবিতা প্ৰকাশ কৰা হৈছে , সিবোৰকো কবিতাৰ ৰূপত সজাবলৈ সম্পাদনা সমিতিয়ে কষ্টদায়ক কচৰৎ কৰিব লগা হৈছে । কবিতা লেখাটোৱে আটাইতকৈ উজু কাম বুলি থকা ভ্ৰান্তিৰ বাবেই হয়তো বেচিভাগ ছাত্ৰ-ছাত্ৰীয়ে আলোচনী খনত প্ৰকাশৰ বাবে কবিতাৰ যোগান ধৰে । আচলতে কবিতা সম্পৰ্কত থকা এনে ধাৰণা শুদ্ধ নহয় । কবিতা লেখাটো ভাতৰ লগত পানী খোৱাৰ দৰে কথা নহয় । এইখিনিতে কবিতা সম্পৰ্কে কবি সমালোচক শ্ৰী নলিনীধৰ ভট্টাচাৰ্যই লেখা এষাৰ কথা উল্লেখ কৰিব পাৰি । তেখেতে লিখিছে-"মানুহে নিজৰ গৰজতে কবিতাক আমন্ত্ৰণ জনায় , কাৰণ কবিতাই আমাক জীৱনৰ ভাষা কয়। কবিতাই ভাষাৰ সেৱা কৰে আৰু তাৰ অপূৰ্ব নিৰ্মাণক্ষম প্ৰজ্ঞাৱে আমাৰ মন মগজুৰ বিকাশতো অবিহণা যোগায় । মৃদু ৰহস্যাৱৰণৰ মাজত কবিতা কৰিব অভিজ্ঞতাৰ কল্পনাময় সৃষ্টি - তাত হৃদয় আৰু মগজু যুগপৎভাৱে ক্ৰিয়াশীল এটা ব্যঞ্জনাময় ভাষাৰ আধাৰত ধ্বনি আৰু অৰ্থৰ সাযুজ্য সম্ভৱ হ'লেহে কবিতাত আপোনসুৰ বাজি উঠে । বহিৰ্জীৱন আৰু অন্তৰ্জীৱনৰ মাজতে কবি সত্বাৰ স্থিতি, - তাত যি নিৰ্য্যাসৰ সৃষ্টি হয় , সিয়েই কবিতাৰ ৰূপ লয় ।"

কবিতা চৰ্চাৰ ক্ষেত্ৰত আন্তৰিকতা, ভাষাৰ অনুশীলন, স্বকীয় উপলব্ধিক ব্যঞ্জনাময় ভাষালৈ ৰূপান্তৰিত কৰিব পৰা দক্ষতা থাকিব লাগিব আৰু লগতে, আঙ্গিক সম্পৰ্কেও সচেতন হ'ব লাগিব । 'জ্বাহৰ জ্যোতি'ৰ বেচিভাগ কবিৰ ক্ষেত্ৰত এই আটাইখিনি বৈশিষ্ট্য থকা বুলি ক'ব নোৱাৰি । প্ৰকাশিত কবিতাবোৰ উচ্চ মানৰ নহলেও কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ কবিতা চৰ্চাত থকা আন্তৰিকতা আৰু অনুশীলনৰ আভাস পৰিলক্ষিত হৈছে । সেইসকল ছাত্ৰ-ছাত্ৰীৰ ভিতৰত নৱমোহন বা চৰকাৰ , মীৰা মহন্ত , নৱকুমাৰ মিশ্ৰ , বিমল মজুমদাৰ , বীৰেন ৰাভা , পৰমেশ দত্ত , বিৰিঞ্চি কুমাৰ ৰাভা , ললিত চন্দ্ৰ ৰাভা , ফজলুৰ ৰহমান খান, অৰুণ চন্দ্ৰ বড়ো, দেৱজিৎ ৰবা, বণিত ৰাভা, এম.আব্দুল আউৱাল, লোকপ্ৰিয় দাস আদি কেইজনমানৰ নাম বিশেষভাৱে ল'ব পাৰি । এওঁলোকে কবিতাৰ ধৰ্ম আৰু

উপলব্ধি কৰিব পাৰিছে যেন অনুভৱ হয় । এওঁলোকে কবিতাৰ মাজত আত্মনিষ্ঠতাৰ লগতে সামাজিক দায়বদ্ধতাকো সামৰি লৈছে । কিন্তু কবি সকলে সেই দায়বদ্ধতাক বহু সময়ত কলাত্মক স্তৰলৈ উত্তৰণ ঘটাব পৰা নাই । কোনো কবিতা কেতিয়াবা 'শ্লোগান' ধৰ্মী হৈ পৰিছে । প্ৰকাশ ৰীতিও পোনপটীয়া । কবিতাৰ প্ৰয়োজনীয় উপাদান উপযুক্ত শব্দ চয়ন, ধ্বনি ব্যঞ্জনা আদিও বহু কবিতাত অনুপস্থিত । আন্তৰিক অনুশীলন অব্যাহত ৰাখিলে তেওঁলোকৰ কবিতাত পৰিলক্ষিত হোৱা ত্ৰুটিবোৰ নিশ্চয় আঁতৰাব পাৰিব । সুখৰ কথা যে, মহাবিদ্যালয় এৰাৰ পিছতো এওঁলোকৰ ভিতৰৰে বিমল মজুমদাৰ ,বীৰেন ৰাভা, ফজলুৰ ৰহমান খান, বিৰিঞ্চি কুমাৰ ৰাভা , ললিত চন্দ্ৰ ৰাভাই কবিতা চৰ্চা অব্যাহত ৰাখিছে ।

ছাত্ৰ-ছাত্ৰী সকলৰ উপৰিও কেইগৰাকী মান অধ্যাপক অধ্যাপিকাই 'জৱাহৰ জ্যোতি'ৰ বাবে কবিতা লেখিছে । কামিনী মোহন শৰ্মা, দিলীপ দাস, নিজৰা দাস, দীনেশ শৰ্মা, খগেশ সেন ডেকা, যুগল কিশোৰ নাথ, প্ৰহ্লাদ ভঁৰালীৰ লগতে এই লেখকৰো কেইটামান কবিতা প্ৰকাশ পাইছে । 'জৱাহৰ জ্যোতি'ৰ কবিতা সম্পৰ্কত কৰা মন্তব্যৰ আওতাত অধ্যাপক-অধ্যাপিকা সকলৰ কবিতাক সাঙুৰিব খোজা নাই ।

কবিতাৰ বাহিৰেও আলোচনী খনত চৈধ্যটা গীত প্ৰকাশ কৰা হৈছে । ইয়াৰে বাৰটা গীত ছাত্ৰ-ছাত্ৰীৰ আৰু দুটা গীত অধ্যাপকৰ । ছাত্ৰ-ছাত্ৰীৰ ভিতৰত নগেন কলিতাই পাঁচটা, ভাৰত চৌধুৰীয়ে চাৰিটা, ধীৰেনজিৎ কলিতাই দুটা আৰু দীপিকা কলিতাই এটা গীত ৰচনা কৰিছে । মন কৰিবলগীয়া কথা, এওঁলোক আটাই কেইগৰাকীয়ে সঙ্গীত সাধনাত ব্ৰতী হৈ আছে । আনহাতে অধ্যাপক দিলীপ দাস আৰু অধ্যাপক প্ৰাণেশ্বৰ নাথে একোটাকৈ গীত লিখিছে । অধ্যাপক দাসৰ সঙ্গীতৰ প্ৰতি প্ৰবল অনুৰাগ আছে । অধ্যাপক প্ৰাণেশ্বৰ নাথৰ সঙ্গীতৰ ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ উপাধি আছে । তেওঁৰ কণ্ঠ সুৰদি আৰু উদাত্ত । গীত ৰচনাৰ চৰ্চা অব্যাহত ৰাখিলে আটাই কেইজনে অসমীয়া গীতি সাহিত্যলৈ কিঞ্চিত পৰিমাণে হলেও অবদান দিব পৰাৰ সম্ভাৱনা নথকা নহয় ।

'জৱাহৰ জ্যোতি'ৰ যোৱা কুৰিটা সংখ্যাত প্ৰকাশ পোৱা চুটি গল্পৰ সংখ্যা তেনেই তাকৰ । ছাত্ৰ-ছাত্ৰীসকলৰ ফালৰ পৰা আঠষষ্ঠীটা অসমীয়া ভাষাৰ গল্প আৰু অধ্যাপক সকলৰ ফালৰ পৰা দুটা অসমীয়া চুটি গল্পৰ লগতে দুটা ইংৰাজী ভাষাৰ চুটি গল্প প্ৰকাশ পাইছে । ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আলোচনীখনৰ বাবে যিবোৰ চুটিগল্প আহে, দুই - চাৰিটাৰ বাহিৰে বেছিভাগ সাধুকথাৰ ঠাচত লেখা । কম সংখ্যক গল্পতহে চুটিগল্পৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায় । সেইখিনিকে সাৰথি হিচাপে লৈ সম্পাদনা সমিতিয়ে 'মেজৰ অপাৰেচন' কৰি আলোচনী খনত প্ৰকাশৰ বাবে থিয় কৰাবলৈ চেষ্টা কৰি আহিছে । ইমানৰ পিচতো যে গল্পবোৰে নিটোল ৰূপ পাইছে তাকো ক'ব নোৱাৰি । চুটি গল্প লেখাৰ বাবে কলা-কৌশল আয়ত্ত কৰিবলৈ আমাৰ ছাত্ৰ-ছাত্ৰী সকলে চেষ্টা নকৰে যেন লাগে । গল্প লেখাৰ বাবে আগ্ৰহ থাকিলেই নহ'ব, প্ৰতিভা আৰু অৰ্হতা থাকিব লাগিব । এই দিশত সম্যক অধ্যয়নৰ লগতে জীৱন আৰু জগত সম্বন্ধে পৰ্যবেক্ষণ আৰু অভিজ্ঞতা নিতান্তই প্ৰয়োজন । চুটিগল্প সৃজনীমূলক সাহিত্যৰ অঙ্গীভূত বাবেই কলাত্মক ৰূপ অপৰিহাৰ্য । বিশিষ্ট কথন-ভঙ্গীৰে বিষয়-বস্তুক ৰসাল কৰি পাঠকক উৎসুক আৰু আগ্ৰহান্বিত কৰি তুলিব পাৰিব লাগিব । কথন-ভঙ্গীৰ চাতুৰ্যৰে সাধাৰণ বিষয় একোটাক অসাধাৰণ ৰূপ দিব নোৱাৰিলে চুটি গল্পই নিজস্ব সৌন্দৰ্য হেৰুৱায় । যিকোনো বিষয়তে কৃতকাৰ্যতা লভিবলৈ নিৰৱচ্ছিন্ন অধ্যবসায়ৰ আৱশ্যক ।

'জৱাহৰ জ্যোতি'ত প্ৰকাশ কৰা চুটি গল্প বোৰৰ জৰিয়তে সম্ভাৱনাপূৰ্ণ লেখক-লেখিকা সকলক উৎসাহ উদ্দীপনা দিবলৈ চেষ্টা কৰা হৈছে । কোমল বয়সীয়া অনভিজ্ঞ ছাত্ৰ-ছাত্ৰী সকলৰ পৰা পোনছাটেই বিশেষ মান সম্পন্ন চুটি গল্প আশা কৰাটো সমীচিন নহ'ব । সম্ভাৱনাপূৰ্ণ লেখক-লেখিকা সকলক প্ৰকাশৰ সুযোগৰে উলিয়াই অনাটোহে এতিয়ালৈকে আলোচনী খনৰ উদ্দেশ্য হৈ আছে । 'জৱাহৰ জ্যোতি'ৰ এই প্ৰচেষ্টাই যদি ভৱিষ্যতলৈ দুজনো সফল চুটি গল্প লেখক সৃষ্টি কৰিব পাৰে, তেন্তে সেয়া নিশ্চয় আনন্দৰ কথা হ'ব।

আলোচনী খনত প্ৰকাশিত চুটি গল্পবোৰৰ গুণাগুণ যিয়েই নহওঁক, কেইগৰাকী মান ছাত্ৰ-ছাত্ৰীৰ চুটি গল্প চৰ্চাত আন্তৰিকতা আছে ।এওঁলোকৰ ভিতৰত গজমতী সাহা, নৱমোহন ৰায় চৰকাৰ, ক্ষীৰোদ ঠাকুৰীয়া, অতুল দাস, ফজলুৰ ৰহমান খান, শংকৰ মহন্ত,ললিত চন্দ্ৰ ৰাভা, বিজয় কুমাৰ নাথ, সত্য শংকৰ নাথ, কৈলাশ কলিতা, মুক্তিনাথ বড়ো, সুশীল পাটোৱাৰী আৰু গীতা ডেকাৰ নাম উল্লেখ কৰিব পাৰি । লেখক সকলে চুটিগল্পৰ বিষয়-বস্তু হিচাপে সমসাময়িক সমাজ ব্যৱস্থাটোকে বাচি লৈছে । প্ৰচলিত সমাজ ব্যৱস্থাত নিম্ন মধ্যবিত্ত আৰু সাধাৰণ শ্ৰেণীয়ে সন্মুখীন হোৱা আলৈ-আহুকাল, অসুখ-অশান্তিৰ চিত্ৰই লেখক সকলৰ চিন্তাক জোকাৰি গৈছে । জীৱনৰ জটিলতা আৰু সামাজিক বৈষম্যই সৃষ্টি কৰা মানসিক সংঘাতৰ ছবিও দুই এটা গল্পত দেখা যায় । ছাত্ৰ-ছাত্ৰীৰ আটাইবোৰ চুটি গল্পৰ গাই-গুটীয়া পৰ্যালোচনা আগবঢ়োৱা সম্ভৱ নহ'ল ।

অধ্যাপক দিলীপ দাসে 'জৱাহৰ জ্যোতি'ৰ তৃতীয় সংখ্যাত 'কৃষ্ণচুড়াৰ হাঁহি' আৰু পঞ্চম সংখ্যাত 'যাত্ৰা' নামৰ দুটা উৎকৃষ্ট চুটিগল্প লেখিছে । দুয়োটা গল্পই চুটি গল্পৰ বৈশিষ্ট্যৰ আলোকেৰে উজ্জ্বল । গল্প দুটাই অধ্যাপক দাসৰ সৃজনীমূলক সাহিত্যৰ বাবে থাকিব লগীয়া প্ৰতিভাৰ কথাকে সূচায় । ছাত্ৰ অতুল দাসে 'জৱাহৰ জ্যোতি'ৰ দ্বাদশ সংখ্যাত লেখা এটি প্ৰবন্ধত আন গল্পৰ লগতে অধ্যাপক দাসৰ উক্ত গল্প দুটাৰ ওপৰত যথাৰ্থভাৱে প্ৰশংসাসূচক মন্তব্য কৰিছে । তেওঁ অতিৰঞ্জন কৰা নাই । কি কাৰণত অধ্যাপক দাসে সাহিত্যৰ এই দিশটোত অবিৰত ভাৱে নিজকে নিয়োজিত কৰি ৰখাৰ প্ৰয়াস কৰা নাই বুজা নাযায় । প্ৰয়োজনীয় প্ৰজ্ঞাৰ অধিকাৰী দাসে চুটি গল্প ৰচনাত নিয়মিত ভাৱে জড়িত কৰাটো উচিত কাম হ'লহেতেন । সম্ভাৱনা অবাবতে মৰহি গ'লে বেজাৰৰ বিষয় হয় ।

'জৱাহৰ জ্যোতি'ত প্ৰবন্ধ লেখকৰ সংখ্যাও সৰহ নহয় । কুৰিটা সংখ্যাত ছাত্ৰ-ছাত্ৰী সকলে চৌষষ্ঠীটা প্ৰবন্ধ অসমীয়া ভাষাত লেখিছে । ইংৰাজী ভাষাত লেখা এটাও নাই । অধ্যাপক-অধ্যাপিকা সকলে অসমীয়া ভাষাত পঞ্চল্লিশটা আৰু ইংৰাজী ভাষাত পয়ত্ৰিশটা প্ৰবন্ধ লেখিছে । প্ৰচুৰ অধ্যয়ন, সুক্ষ্ম দৃষ্টি, সত্যানুসন্ধানৰ প্ৰতি থাকিব লগা অধ্যবসায় আদিৰ অভাৱৰ বাবেই সম্ভৱতঃ ছাত্ৰ-ছাত্ৰী সকলে প্ৰবন্ধ লেখাৰ পৰা আঁতৰি থাকে । প্ৰবন্ধ লেখাৰ প্ৰতি আগ্ৰহ থকা দূৰৰে কথা, ছাত্ৰ-ছাত্ৰী সকলে প্ৰবন্ধ পঢ়াৰ প্ৰতিও অনীহা প্ৰকাশ কৰে । গভীৰ চিন্তা-চৰ্চাৰ প্ৰতি এনে মনোভাৱক আমাৰ মানসিক দৈন্যৰ চানেকি বুলিও ভাবিব পাৰি । আমাৰ চিন্তাক উৎকৰ্ষতা প্ৰদান কৰিবলৈ আৰু বহুমুখী কৰিবলৈ প্ৰবন্ধ সাহিত্যই যথেষ্ট সহায় কৰিব পাৰে । সাহিত্যৰ এই দিশটোৰ প্ৰতি অৱহেলা কৰাটো অনুচিত ।

ছাত্ৰ-ছাত্ৰী সকলে আলোচনীখনত লেখা প্ৰবন্ধবোৰত সত্যানুসন্ধানৰ স্বাক্ষৰ অথবা মৌলিকতা বিশেষ নাথাকিলেও, তেওঁলোকৰ প্ৰচেষ্টাক আদৰণি জনাবই লাগিব। প্ৰাৰম্ভিক স্তৰত বিস্তৃত আৰু গভীৰ অধ্যয়ন ছাত্ৰ-ছাত্ৰীৰ নথকাটোৱে স্বাভাৱিক । তৎস্বত্বেও প্ৰবন্ধ লেখাৰ প্ৰতি তেওঁলোকৰ মাজৰ কিছুসংখ্যকে উদ্যম হাতত লোৱাটো শুভ লক্ষণ । ভৱিষ্যতলৈ বিস্তৃত আৰু গভীৰ অধ্যয়ন, পৰ্যবেক্ষণ-বিশ্লেষন আৰু অবিৰত অনুশীলনেৰে নিজকে সক্ষম কৰি মৌলিক প্ৰবন্ধ-সাহিত্যলৈ অৱদান যোগাব পাৰিব । শিক্ষা, কৃষ্টি -সংস্কৃতি,

নৃতত্ব,ৰাজনীতি, অৰ্থনীতি,সমাজনীতি, ইতিহাস, বিজ্ঞান-প্ৰযুক্তি বিদ্যা আদি সমাজ জীৱনৰ লগত সম্বন্ধ থকা বিষয়বোৰেই সাধাৰণতে প্ৰবন্ধৰ বিষয়-বস্তু হোৱা দেখা যায় । 'জৱাহৰজ্যোতি'ৰ প্ৰবন্ধ লেখক সকলেও এনেবোৰ বিষয় বস্তুৰ ওপৰতে আলোকপাত কৰিছে ।

ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰিও বিভিন্ন সময়ত এই মহাবিদ্যালয়ত কাম কৰা অধ্যাপক-অধ্যাপিকা সকলেও প্ৰবন্ধ ৰচনা কৰিছে । 'জৱাহৰজ্যোতি 'ৰ প্ৰথম সংখ্যাৰ পৰা বিংশ সংখ্যালৈ একচল্লিশ গৰাকী অধ্যাপক-অধ্যাপিকাই অসমীয়া আৰু ইংৰাজী ভাষাত আশীটা প্ৰবন্ধ লেখিছে ।এখেত সকলৰ কোনো কোনোৱে ছেগা-চোৰোকাকৈ আৰু কোনো কোনোৱে নিয়মীয়াভাৱে প্ৰৱন্ধ লেখাৰ পৰিচয় পোৱা যায় । চাৰিটা বা তাতকৈ অধিক প্ৰবন্ধ লেখোতাসকল হ'ল অধ্যাপক দ্বিজেন দাস, অধ্যাপিকা জয়শ্ৰী ভূ ঞা, অধ্যাপক লক্ষীকান্ত শৰ্মা, অধ্যাপক মৃগেন্দ্ৰ কুমাৰ শৰ্মা, অধ্যাপক নবীন চন্দ্ৰ মুদিয়াৰ, অধ্যাপক ধৰ্মকান্ত বৰুৱা, অধ্যাপক ভৱেশ চন্দ্ৰ গোস্বামী আৰু অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ । সৰ্বাধিক সংখ্যক প্ৰৱন্ধ লিখিছে অধ্যাপক দ্বিজেন দাস আৰু অধ্যাপিকা জয়শ্ৰী ভূঞাই । দাসে অসমীয়া ভাষাত সাতটা আৰু ভূঞাই ইংৰাজী ভাষাত সাতটা প্ৰবন্ধ লেখিছে । এওঁলোকৰ পিছতে অধ্যাপক লক্ষীকান্ত শৰ্মাই অসমীয়া ভাষাত ছয়টা, অধ্যাপক নবীন চন্দ্ৰ মুদিয়াৰে অসমীয়া ভাষাত এটা আৰু ইংৰাজী ভাষাত চাৰিটা, অধ্যাপক মৃগেন শৰ্মাই ইংৰাজী ভাষাত চাৰিটা, অধ্যাপক ধৰ্মকান্ত বৰুৱাই অসমীয়া ভাষাত চাৰিটা, অধ্যাপক ভৱেশ গোস্বামীয়ে ইংৰাজী ভাষাত এটা আৰু অসমীয়া ভাষাত চাৰিটা আৰু অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথে অসমীয়া ভাষাত দুটা অৰু ইংৰাজী ভাষাত দুটা প্ৰবন্ধ ৰচনা কৰিছে ।প্ৰবন্ধৰ সংখ্যাই এখেত সকলৰ প্ৰবন্ধ সাহিত্যৰ প্ৰতি থকা আগ্ৰহৰ কথাকে প্ৰতিপন্ন কৰে । কম সংখ্যক প্ৰবন্ধ লেখা অধ্যাপক - অধ্যাপিকাৰ বহুতেই কম সময়ৰ বাবে অধ্যাপনা কৰি মহাবিদ্যালয় এৰি গুচি গৈছে । যি সকলে দীৰ্ঘদিনৰ বাবে থাকি দুই -এটা প্ৰবন্ধ ৰচনা কৰিছে, তেখেত সকলে বিশেষ কোনো কাৰণত পিচলৈ প্ৰবন্ধ লেখাত হাত দিয়া নাই। অধ্যাপক - অধ্যাপিকা সকলে প্ৰবন্ধ লেখাৰ প্ৰতি আগ্ৰহী হলে 'জৱাহৰ জ্যোতি'ৰ গুণগত মান বৃদ্ধিৰ লগতে ছাত্ৰ - ছাত্ৰী সকলেও জ্ঞানৰ পৰিসৰ বঢ়োৱাত সহায় পাব আৰু প্ৰবন্ধ চৰ্চাৰ বাবে উৎসাহিত হ'ব।

দুই-এক ব্যতিক্ৰমৰ বাহিৰে, অধ্যাপক - অধ্যাপিকা সকলে স্বাভাৱিক ভাৱেই অধ্যাপনা কৰা বিষয়ৰ পৰা প্ৰবন্ধৰ বিষয় বস্তু আহৰণ কৰিছে। এনে হলেও বিষয় বস্তুত বৈচিত্ৰতা আছে আৰু সত্যানুসন্ধানৰ জৰিয়তে প্ৰবন্ধ বোৰ উচ্চমান বিশিষ্ট কৰি তুলিবলৈ যত্নপৰ হৈছে। 'জৱাহৰ জ্যোতি'ত দুগৰাকী অতিথি লেখকেও দুটি প্ৰবন্ধৰ অৱদান আগ বঢ়াইছে। তেখেতসকল হ'ল কটন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মূৰব্বী অধ্যাপিকা ভুবনেশ্বৰী বৈশ্য আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাৰতীয় ভাষা বিভাগৰ মুৰব্বী অধ্যাপক ড° বাণীকান্ত শৰ্ম্মা। দুয়ো গৰাকীয়ে বিশিষ্ট শিক্ষাবিদ । বিশিষ্ট লেখকৰ লেখা প্ৰকাশৰ দিহা কৰিব পাৰিলে 'জৱাহৰ জ্যোতি'ৰ সৌন্দৰ্য আৰু গাম্ভীৰ্য বৃদ্ধি পাব।

এতিয়ালৈকে আলোচনীখনৰ দুটা সংখ্যাত ( চতুৰ্থ আৰু চতুৰ্দ্দশ সংখ্যা) দুগৰাকী ছাত্ৰই দুটা ভ্ৰমণ কাহিনী প্ৰকাশ কৰিছে । স্বাধীনোত্তৰ কালত অসমীয়া সাহিত্যত ভ্ৰমণ বৃত্তান্ত লক্ষ্যণীয়ভাৱে বৃদ্ধি পাইছে । সাম্প্ৰতিক কালত দেশৰ ভিতৰে বাহিৰে ৰাজনৈতিক, সাংস্কৃতিক-শৈক্ষিক আৰু বাণিজ্যিক উদ্দেশ্য আগত ৰাখি বহুতো লোকে বিদেশ ভ্ৰমণ কৰাৰ সুবিধা লাভ কৰিছে । আমাৰ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন কাৰণত দেশান্তৰত ভ্ৰমণৰ সুযোগ নাপায় । গতিকে তেওঁলোকৰ পৰা বিদেশ ভ্ৰমণৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি লেখা ভ্ৰমণ বৃত্তান্ত পোৱা সম্ভৱ নহয় । আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ কিছু সংখ্যকে দেশৰ ভিতৰৰ কোনো ঠাইলৈ শিক্ষামূলক ভ্ৰমণলৈ যায় । এই সকল ছাত্ৰ-ছাত্ৰীৰে দুই-চাৰিটা শিক্ষামূলক ভ্ৰমণৰ পৰা লাভ কৰা অভিজ্ঞতাখিনিকে লিখিত আকাৰে 'জৱাহৰজ্যোতি'ৰ মাধ্যমেৰে আন ছাত্ৰ-ছাত্ৰী সকলক জনাব পাৰে । তেনে কৰিলে তেওঁলোকৰ লেখাৰ অভ্যাস গঢ়ি উঠিব ।

অসমীয়া সাহিত্যত কবিতা, চুটি গল্প, উপন্যাস আদি দিশত ভালেখিনি উন্নতি পৰিলক্ষিত হৈছে যদিও অসমীয়া নাটৰ ক্ষেত্ৰত তেনে উন্নতি দেখা নাযায় । ইয়াৰ কাৰণ হিচাপে ৰঙ্গমঞ্চৰ অভাৱৰ লগতে, চিনেমা, দূৰদৰ্শনৰ ব্যাপক প্ৰভাৱকো আঙুলিয়াব পাৰি । তথাপি অপেছাদাৰী আৰু পেছাদাৰী ভ্ৰাম্যমান নাট্যদল বিলাকৰ বাবে যোৱা কিছুবছৰৰ পৰা যিমান পূৰ্ণাঙ্গ নাট ৰচিত হৈছে সিবোৰৰ বেছি ভাগেই অপ্ৰকাশিত অৱস্থাতে আছে । সেইদৰে যোৱা অৰ্দ্ধ শতাব্দী কাল জুৰি অলেখ একাংকিকা ৰচিত, অভিনীত হৈছে যদিও প্ৰকাশ নোহোৱাকৈ লয় পাইছে । আলোচনী এখনৰ সীমিত পৰিসৰত পূৰ্ণাঙ্গ নাট ছপোৱাটো সম্ভৱ নহ'লেও একাংকিকা নাট প্ৰকাশ কৰিব পৰা যায় । 'জৱাহৰ জ্যোতি'ৰ প্ৰথম সংখ্যাত অমৃত কলিতাৰ ''চাকৰ', দ্বিতীয় সংখ্যাত চিত্ৰমোহন কলিতাৰ 'বেমেজালি' আৰু ত্ৰয়োদশ সংখ্যাত দ্বিজেন্দ্ৰ কুমাৰ দাসৰ 'আৱিষ্কাৰ' নামৰ তিনিখন একাংকিকা নাট প্ৰকাশ পাইছে । এওঁলোকৰ মাজৰ দ্বিজেন্দ্ৰ কুমাৰ দাস এজন প্ৰতিভাবান অভিনেতাও । 'মহাবিদ্যালয় সপ্তাহত ' সাহিত্য প্ৰতিযোগিতাৰ শাখাত কবিতা, চুটি গল্প, বেটুপাত অংকণৰ লগতে একাংকিকাৰ পাণ্ডুলিপিৰ প্ৰতিযোগিতাও অন্তৰ্ভুক্ত কৰিব পৰা যায় । এনে প্ৰতিযোগিতাৰ উপযুক্ত একাংকিকা ' জৱাহৰ জ্যোতি'ত প্ৰকাশৰ দিহা কৰিলে নতুন আংগিকৰ একাংকিকা ৰচনা কৰিবলৈ ছাত্ৰ-ছাত্ৰীয়ে অনুপ্ৰেৰণা পাব ।

'জৱাহৰজ্যোতি'ৰ কেইটামান সংখ্যাত আমাৰ শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ জগতলৈ মূল্যবান অৱদান আগবঢ়োৱা কেইগৰাকীমানে বিশিষ্ট ব্যক্তিৰ সাক্ষাৎকাৰ প্ৰকাশিত হৈছে । বিশিষ্ট ব্যক্তিসকল হ'ল শ্ৰীক্ষীৰদা কান্ত বিষয়া ( দ্বিতীয় সংখ্যা ), বিশিষ্ট শিক্ষাবিদ লোক সংস্কৃতিৰ গৱেষক ড° বীৰেন্দ্ৰ নাথ দত্ত ( পঞ্চম সংখ্যা) শিক্ষাবিদ সমালোচক ড° হীৰেণ গোঁহাই (দশম সংখ্যা), কবি নৱকান্ত বৰুৱা আৰু কবি হীৰেণ ভট্টাচাৰ্য ( পঞ্চদশ সংখ্যা ) । এখেত সকলৰ লগতে এসময়ৰ ৰকোৰ মেধাৱী ছাত্ৰ, বৰ্ত্তমান আমেৰিকা নিবাসী ডেকা বিজ্ঞানী শ্ৰীপ্ৰদীপ কুমাৰ দাসেও ( নৱম সংখ্যা ) এটি সাক্ষাৎকাৰ দিছে । সাক্ষাতকাৰ কেইটাই নিঃসন্দেহে আলোচনীখনৰ সংখ্যাকেইটাৰ গুৰুত্ব আৰু সৌষ্ঠৱ বঢ়াইছে । সাক্ষাৎকাৰ বোৰে ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা সকলক বিশিষ্ট ব্যক্তিৰ জ্ঞান-বুদ্ধি, অভিজ্ঞতা আৰু চিন্তা চৰ্চাৰ ভাগ পোৱাত সহায় কৰে ।

আলোচনীখনত ব্যৱহাৰ কৰা বেটুপাত সমূহৰ ভালেকেইখন মহাবিদ্যালয়ৰ ছাত্ৰ আৰু শিক্ষক কেইগৰাকীমানে আঁকিছে । বেটুপাত অঁকা ছাত্ৰ সকল হ'ল অজিত ৰাভা, চিত্ৰমোহন কলিতা, অৰুণ কলিতা, শচীন বড়ো আৰু সত্যজিৎ কলিতা । শিক্ষকসকলৰ ভিতৰত বৰ্ত্তমানলৈ বেটুপাত আঁকিছে শ্ৰীকমলেশ্বৰ ঠাকুৰীয়া, শ্ৰীপ্ৰাণেশ্বৰ নাথ আৰু মিৰাজ খানে । বেটুপাতৰ বাবে সাধাৰণতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত প্ৰতিযোগিতাৰ আয়োজন কৰা হয় । আনহাতে ছাত্ৰ-ছাত্ৰী অথবা শিক্ষক-শিক্ষয়িত্ৰী সকলে সহঁাৰি নজনালে আৰু সহঁাৰি জনালেও উপযুক্ত বুলি বিবেচিত ন'হলে অইন শিল্পীয়ে অঁকা বেটুপাত সংগ্ৰহ কৰি আলোচনীখনত ব্যৱহাৰ কৰা হয় । 'জৱাহৰজ্যোতি'ৰ বাবে কৰা বেটুপাত অংকনৰ ব্যৱস্থাটোৱে সম্ভাৱনাপূৰ্ণ চিত্ৰ শিল্পী সকলক প্ৰেৰণা যোগাই আহিছে ।

'জৱাহৰ জ্যোতি'ৰ উল্লেখযোগ্য দিশ হ'ল - ইয়াৰ সম্পাদকীয় মন্তব্য সমূহ । সমকালীন বিভিন্ন সমস্যাৰ সন্দৰ্ভত সম্পাদকীয় স্তম্ভই আলোকপাত কৰিছে । শিক্ষা,

শিক্ষিত নিবনুৱা, যুৱ শক্তি, জাতীয় চৰিত্ৰ, সাহিত্য, অৰ্থনীতি, ভগনীয়া সমস্যা, সাম্প্ৰতিক অসমীয়া আলোচনী, বিদেশী বহিস্কাৰ আন্দোলন, পাঠ্যক্ৰমৰ সঘন সাল-সলনিৰ পৰিণতি, হিংসা সন্ত্ৰাস, আন্তৰ্জাতিক ক্ৰীড়া, অধ্যয়নৰ প্ৰয়োজনীয়তা, পৰীক্ষা পদ্ধতি, নতুন অৰ্থনীতি, সংস্কৃতি - অপসংস্কৃতি, বিদেশী সাহিত্য অধ্যয়নৰ প্ৰয়োজনীয়তা, শিক্ষানুষ্ঠানত শৈক্ষিক পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ, ছাত্ৰ-ছাত্ৰীৰ মাজত কিতাপ পঢ়া আন্দোলন আদি ভালেমান বিষয় সম্পাদকীয় স্তম্ভই সামৰি লৈছে। সম্পাদকীয় মন্তব্য সমূহে বস্তুনিষ্ঠ ভাবে সমকালীন সমস্যা সমূহ তুলি ধৰাৰ লগতে সমাধানৰ উপায়বো সন্ধান কৰিছে।

সম্পাদকীয় মন্তব্যৰ উপৰিও ছাত্ৰ একতা সভাৰ সুকীয়া সুকীয়া বিভাগৰ সম্পাদক-সম্পাদিকা সকলে প্ৰতিবেদন প্ৰকাশ কৰি আহিছে। এই প্ৰতিবেদন সমূহত তেওঁলোকে নিজৰ নিজৰ কাৰ্য কালছোৱাৰ সফলতা- বিফলতাৰ আভাস দিয়াৰ সুযোগ লাভ কৰিছে। প্ৰকাশিত প্ৰতিবেদন সমূহে পৰৱৰ্ত্তী শিক্ষা বৰ্ষৰ বাবে নিৰ্বাচিত সম্পাদক- সম্পাদিকা সকলৰ বাবে পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰা বুলি ভাবিব পাৰি। প্ৰতিবেদনবোৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ অভাৱ-অভিযোগসমূহ কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰি সিবোৰৰ সু-সমাধানৰ আশা পোষণ কৰিছে। প্ৰতিবেদনবোৰৰ পৰা দেখা যায়, কোনো এটা বছৰত কোনো এটা সমস্যাৰ সমাধান হ'লে আন কিছুমান সমস্যাই মুৰ তুলি থিয় হৈছে। অৱশ্যে অভাৱ বা সমস্যা নাথাকিলে এনেবোৰ প্ৰতিবেদনৰ আকৰ্ষণো বহু পৰিমাণে হ্ৰাস পাব। আচলতে নতুন নতুন সমস্যাবোৰেই প্ৰতিবেদনৰ ধাৰাবাহিকতা ৰক্ষা কৰিব। পৃথিৱীৰ ক'তনো সমস্যা নাই। সমস্যাই আমাৰ চিন্তা ভাৱনাক শাণ দিয়ে, জীৱনক গতিশীল কৰি ৰাখে। প্ৰচেষ্টাতো আনন্দ আছে।

আনএটা কথা হ'ল -' জৱাহৰজ্যোতি'ৰ যোৱা কুৰিটা সংখ্যাৰ ভিতৰৰে দহটা সংখ্যাত সেই সময়ৰ অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথদেৱে -(1) Jawaharlal Nehru College : Its brief History (2) Jawaharlal Nehru college : Working Report For 1975-76, (3) Jawaharlal Nehru College, Boko : Working Report from September /76 to september/77, (4) Jawaharlal Nehru College -A Glimpse, (5) Jawaharlal Nehru College on the March, (6) Jawaharlal Nehru College : A Looking Back to the Past (7) Jawaharlal Nehru College : Some Glimpses, (8) Jawaharlal Nehru College : Past and Present (9) College Silver Jubilee and Nehru Centenary Celebration, 1989 (10) The twenty seventh year of Jawaharlal Nehru College, -শিৰোনামাৰে দহখন প্ৰতিবেদন দাখিল কৰিছে। প্ৰতিবেদন কেইখনে জন্মলগ্নৰে পৰা ঘাত -প্ৰতিঘাতৰ মাজেৰে মহাবিদ্যালয়খনে কেনেকৈ প্ৰগতিৰ পথত খোজ কাঢ়িছে তাৰ নিখুঁত চিত্ৰ তুলি ধৰিছে। মহাবিদ্যালয়খনৰ এটা বিশেষ সময়ৰ ইতিহাস জানিব খুজিলে এই প্ৰতিবেদন কেইখনে ভালেখিনি সহায় কৰিব বুলি আমাৰ বিশ্বাস। পৰিসংখ্যা উপস্থাপনৰ গতানুগতিক দলিলৰ উৰ্দ্ধলৈ উঠি সিবোৰ সাহিত্যৰ সৌৰভেৰেও সমৃদ্ধ হৈছে আৰু এই বৈশিষ্ট্য খিনিৰ বাবেই অন্ততঃ 'জৱাহৰজ্যোতি'ৰ উৎকৃষ্ট লেখা খিনিৰ লগত অধ্যক্ষ নাথৰ প্ৰতিবেদন কেইখন সামৰি ল'ব লাগিব।

পৰিশেষত কওঁ, 'জৱাহৰজ্যোতি'ৰ ১৯৯৭-৯৮ চনলৈ ওলোৱা কুৰিটা সংখ্যাৰ যি চমু জৰীপ কৰা হ'ল তাত নিশ্চয় সকলো দিশত সুবিচাৰ কৰিব পৰা নগ'ল। বিচিত্ৰতাৰ মাজত সমন্বয় স্থাপন কৰিবলৈ যোৱাটো দুৰূহ কাম। সকলোবোৰ বিষয়কে সামৰি পৰিছন্ন ৰূপত উপস্থাপন কৰিবলৈ যত্ন কৰোঁতে 'যজ্ঞ ভূক অগ্নিৰ দৰে ৰোগগ্ৰস্ত' হৈ পৰাৰ লেখীয়া হৈছেগৈ। ৰচনাত দিয়া পৰিসংখ্যাবোৰত দৃষ্টিভ্ৰম ঘটিব পাৰে। সিবোৰত শুধৰণিৰ অৱকাশ নিশ্চয় পোৱা যাব। ন-ন সমলেৰে 'জৱাহৰজ্যোতি'ৰ ধাৰাবাহিকতা একবিংশ শতিকাতো চলি থাকক। ***'To travel hopefully is a joy forever'*** আৰুনো কেনেকৈ শুভেচ্ছা জনাম। □□□

□□□'বৰ্ত্তমান সময়ত কলেজৰ ছাত্ৰ সকলক সাহিত্য চৰ্চাত লগা দেখা যায়, তাৰ প্ৰমাণ অসমীয়া আলোচনীৰ পাতত দেখা গৈছে। কিন্তু তেওঁলোকে তেওঁলোকৰ সাহিত্যিক জীৱনৰ গুৰিতে সাহিত্যৰ প্ৰকৃত উদ্দেশ্য আৰু লক্ষণ আদিৰ বিষয়ে জনাটো নিতান্ত বাঞ্চনীয়, যাতে তেওঁলোকৰ উদ্যম আৰু চেষ্টাৰ ফলত এটি অনুপ্ৰেৰণাপূৰ্ণ, মৌলিক, উন্নতিশীল আৰু সমৃদ্ধিশালী অসমীয়া সাহিত্যৰ সৃষ্টি হ'ব পাৰে। অসমীয়াৰ বিশ্ব সাহিত্য আৰু বিশ্ব সাহিত্যিক নাই বুলি বহুতৰ আক্ষেপ। বঙালী কবি ৰবীন্দ্ৰনাথ ঠাকুৰে বিশ্ব সাহিত্যৰ শাৰী পূৰাইছে। অসমীয়াই বিশ্ব সাহিত্য ৰচিবলৈ হ'লে দেশ এৰি বিদেশলৈ যাব নালাগে। অসমীয়াৰ সুখ-দুখ, আশা নিৰাশা আৰু হুঁহা-কন্দাৰ ছবি ফুটাই তুলিব পাৰিলেই সি বিশ্ব-সাহিত্যত ঠাই পাব। আমাৰ খাৰ-খোৱা হোজা অসমীয়া মাটিৰাম মেধি আৰু মালতীৰ আইদেউৰ সুখ-দুখ -পূৰ্ণ প্ৰণয় কাহিনীতো বিশ্ব সাহিত্যৰ বিপুল সম্বল আছে।'

□ ড° সূৰ্য্য কুমাৰ ভূঞা